www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, DECEMBER 11, 2024 ■ বুধবাৰ, ২৫ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ৩ বাৰ বিধায়ক হ'ল বিদেশী নাগৰিক

হায়দৰাবাদ, ১০ ডিচেম্বৰঃ আদালতৰ নিৰ্দেশত ভাৰতীয় নাগৰিকত্ব হেৰুৱাবলগীয়া হ'ল এজন ৫ পৃষ্ঠাত চাওক

## অবৈধ বিদেশীক পুলিয়ে-পোখাই উৎখাতৰ আহ্বান ড০ সমুজ্জ্বলৰ

# বগুৱানত শ্বহীদক স্মৰণ আছুৰ



ই-সংবাদ, ১০ ডিচেম্বৰঃ গোৱালপাৰা জিলাৰ বগুৱানত আজি কেন্দ্ৰীয় শ্বহীদ দিৱস পালন কৰি সদৌ অসম ছাত্ৰ সন্থাই পুনৰ ৰাজ্য চৰকাৰলৈ একেটা দাবী উত্থাপন কৰে। সেয়া হৈছে অসম চুক্তিৰ প্ৰতিটো দফা নিৰ্দিষ্ট সময়ৰ ভিতৰত কাৰ্যকৰী কৰা। অসম চৰকাৰে যদি জাতীয় শ্বহীদসকলৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জনাব শেষাংশ ২ পৃষ্ঠাত

## বৰপেটাত নিশা পথ দুৰ্ঘটনাত নিহত ২ অগপৰ নেতা

ই-সংবাদ, ১০ ডিচেম্বৰঃ ঘন কুঁৱলীৰ বাবে ৰাজ্যত পথ দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পাইছে। সঘনাই সংঘটিত পথ শেষাংশ ৪ পৃষ্ঠাত

## নাইডুক পুনৰ সাক্ষাৎ গৌৰৱৰ

ই-সংবাদ, ১০ ডিচেম্বৰঃ যোৰহাট-দিল্লীৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ কৰাৰ দাবীত আজি পুনৰ অসামৰিক শেষাংশ ৩ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে দিয়া নিৰ্দেশকো অমান্য ৰাজ্য চৰকাৰৰ

অনুসূচিত জাতিৰ নামত ১৪০ কোটি টকীয়া দুৰ্নীতি



ই-সংবাদ, গুৱাহাটী, ১০ ডিচেম্বৰঃ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ নিৰ্দেশকো গুৰুত্ব নিদিয়ে ৰাজ্য চৰকাৰৰ অসম অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ে। শেষাংশ ২ পৃষ্ঠাত

## যুৱ-মৰ্চাৰ শ্বহীদ দিৱসত মুখ্যমন্ত্ৰী

## শ্বহীদসকলে তেজ দিছিল, এতিয়াৰ প্ৰজন্মই ঘাম দিব লাগিব!

ই-সংবাদ, ১০ ডিচেম্বৰঃ শাসকীয় বিজেপি দলৰ ভাতৃ সংগঠন ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সমিতিয়ে আজি শেষাংশ ২ পৃষ্ঠাত

## প্ৰাক্তন বিদেশ মন্ত্ৰী কৃষ্ণা প্ৰয়াত


নতুন দিল্লী, ১০ ডিচেম্বৰঃ মঙলবাৰে শেষ নিশ্বাস ত্যাগ কৰে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ভাৰতৰ প্ৰাক্তন শেষাংশ ৩ পৃষ্ঠাত

## দেখিও নেদেখাৰ ভাও ৰাজহুৱা স্থানত গো-মাংস নিষিদ্ধ কৰা চৰকাৰৰ

# চোৰাং গৰু সৰবৰাহৰ ক'ৰিডৰত পৰিণত ধলা-শদিয়া

■ ভূপেন হাজৰিকা সেঁতুৰে নিতৌ গো-ধনৰ অবৈধ সৰবৰাহ ■ সৰৱ আছু

ই-সংবাদ, ডুমডুমা, ১০ ডিচেম্বৰঃ ৰাজ্যত থকা হিন্দুত্ববাদী চৰকাৰে হিন্দুৰ আস্থাৰ স্বাৰ্থত ৰাজহুৱা স্থানত গো-মাংস নিষিদ্ধ কৰিছে যদিও হিন্দুত্ববাদীৰ প্ৰতি দৰদ শেষাংশ ৫ পৃষ্ঠাত



## মুম্বাইত ভয়ংকৰ বাছ দুৰ্ঘটনাত নিহত সাতজনকৈ লোক

মুম্বাই, ১০ ডিচেম্বৰঃ মুম্বাইত পুনৰ এবাৰ বেপৰোৱা গতিৰ বলি হ'ল নিৰীহ লোক! সোমবাৰে নিশাৰ ভাগত কুৰলাত শেষাংশ ৪ পৃষ্ঠাত




মুম্বাইৰ ৰাজপথত যমদূত সদৃশ হৈ পৰা তীব্ৰবেগী সেই বাছখন

## মুখ্যমন্ত্ৰীক গালি ছনু নিগমৰ

জয়পুৰ, ১০ ডিচেম্বৰঃ ৰাজস্থান গ্ল'বেল ইনভেষ্টমেণ্ট ছামিট ২০২৪ৰ প্ৰথম দিনাই সূত্ৰপাত ঘটিল বিতৰ্কৰ। প্ৰথম দিনাৰ সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থকা তাৰকা কণ্ঠশিল্পী চনু নিগমৰ এটা আক্ষেপপূৰ্ণ পোষ্টে শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সংগীতানুষ্ঠানৰ শেষত ৰাজস্থানৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীকে ধৰি অন্যান্য শেষাংশ ৫ পৃষ্ঠাত

## ধনখড় বিতৰ্ক, উভয় সদনত এক হ'ল বিৰোধী



নতুন দিল্লী, ১০ ডিচেম্বৰঃ 'আদানি' বিতৰ্কই সম্ভৱ নকৰিলেও অৱশেষত 'ধনখড়' বিতৰ্কই শেষাংশ ৩ পৃষ্ঠাত

## সৰৱ উচ্চতম ন্যায়ালয়, বিচাৰিলে সবিশেষ তথ্য

# ন্যায়াধীশৰ উগ্ৰ সাম্প্ৰদায়িক মন্তব্য

নতুন দিল্লী, ১০ ডিচেম্বৰঃ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ শেখৰ কুমাৰ যাদৱৰ শেহতীয়া মন্তব্যক লৈ সমগ্ৰ দেশতে সৃষ্টি হৈছে তীব্ৰ বিতৰ্কৰ। এই



বক্তব্যৰ ভিত্তিত মঙলবাৰে উচ্চতম ন্যায়ালয়ে ন্যায়াধীশগৰাকীৰ বিৰুদ্ধে স্বতঃপ্ৰণোদিত গোচৰ ৰুজু কৰে। উল্লেখ্য যে, এক শেষাংশ ৩ পৃষ্ঠাত

## ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চৰ বৈঠক, হ'ব বিশেষ যুঁজ

ই-সংবাদ, চাবুৱা-লাহোৱাল, ১০ ডিচেম্বৰঃ ডিব্ৰুগড় জিলাৰ বাণীপুৰস্থিত মটক ভৱনত আজি শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে দিয়া নিৰ্দেশকো

বিগত ৩ মাহ ধৰি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগে দিয়া নিৰ্দেশক লৈ একো পদক্ষেপেই গ্ৰহণ কৰা নাই ৰাজ্য চৰকাৰে। এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ, অসমে। জানিব পৰা মতে, অসমৰ অনুসূচিত জাতিৰ লোকৰ বাবে ৰূপায়ন কৰা টিভি, পাকঘৰৰ সামগ্ৰী বিতৰণৰ নামত সংঘটিত ১৪০ কোটি টকীয়া কেলেংকাৰী সন্দৰ্ভত সংগঠনটোৱে ছেপ্টেম্বৰ মাহতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিছিল। উক্ত অভিযোগৰ ভিত্তিতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে বিষয়টোক গুৰুত্বসহকাৰে লৈ ততাতৈয়াকৈ ৰাজ্য প্ৰশাসনক কঠোৰ নিৰ্দেশ দি ৮ আগষ্টত এক পত্ৰ প্ৰেৰণ কৰে। PMOPG/D/2024/0165174 নম্বৰৰ পত্ৰযোগে অসম চৰকাৰৰ যুটীয়া সচিব এচিএছ ডৰথী চুচিয়াঙক বিষয়টো তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে। একেদৰে, অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগে ২১ আগষ্টত ESDW/BP/AS/2024/255473 নম্বৰৰ পত্ৰযোগে অভিযোগক গুৰুত্বসহকাৰে লৈ ১৫ দিনৰ ভিতৰত তদন্ত সমাপ্ত কৰিবলৈ অসম চৰকাৰৰ মুখ্য সচিবক নিৰ্দেশ দিছিল। কিন্তু ইমানৰ পিছতো আজিলৈকে ৰাজ্য চৰকাৰে একো ব্যৱস্থা গ্ৰহণ নকৰাত জাঙুৰ খাই উঠিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ, অসমে। আজি এক বিবৃতিযোগে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাস আৰু সাধাৰণ সম্পাদক লক্ষ্যজ্যোতি হাজৰিকাই কয় যে চৰকাৰে মুখত দেখুৱাইহে অনুসূচিত জাতিৰ প্ৰতি দৰদ জাহিৰ কৰে, বাস্তৱত কিন্তু এইসকল লোকৰ কল্যাণৰ বাবে একোৱেই কৰিবলৈ আগ্ৰহী নহয়। এইক্ষেত্ৰত চৰকাৰে 'সাপ হে খোঁটে বেজ হে জাৱে' নীতি অৱলম্বন কৰা বুলিও নেতাদ্বয়ে অভিযোগ কৰে। চৰকাৰে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ নিৰ্দেশকো কেৰেপ নকৰালৈ চাই সমগ্ৰ কেলেংকাৰি সংঘটিত কৰা ঠিকাদাৰ নুপূৰ সাহাক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰভাৱশালী মন্ত্ৰী পীযুষ হাজৰিকায়ো পৃষ্ঠপোষকতা কৰা বুলিও মন্তব্য কৰিছে। সংগঠনটোৱে দুৰ্নীতিপৰায়ণ ঠিকাদাৰজনক মুখ্যমন্ত্ৰী আৰু কেবাগৰাকী মন্ত্ৰীয়ে ৰক্ষণাবেক্ষণ দিয়াৰো অভিযোগ তোলে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কতা কোৱা চৰকাৰখনৰ কথা আৰু কামৰ কোনো মিল নাই বুলিও সংগঠনটোৱে দাবী কৰে। যদিহে চৰকাৰখন সঁচায়েই দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল তেন্তে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগত সংঘটিত বিয়াগোম দুৰ্নীতিৰ তদন্ত কৰিবলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত শীঘ্ৰে এখন তদন্ত সমিতি গঠন কৰিবলৈ পুনৰবাৰ মুখ্যমন্ত্ৰীক দাবী জনাই সংগঠনটোৱে। অন্যথাই অনাগত দিনত দিল্লীৰ জন্তৰ-মন্তৰত বৃহৎ প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলিও চৰকাৰক সকীয়াই দিয়ে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। উল্লেখ্য যে, এই কেলেংকাৰিত অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত কৰ্মৰত কেবাগৰাকী চৰকাৰী কৰ্মচাৰী জড়িত থকাৰো অভিযোগ উঠিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বগুৰানত শ্বহীদক স্মৰণ আছুৰ

খুজিছে তেন্তে অসম চুক্তিৰ প্ৰতিটো দফা নিৰ্দিষ্ট সময়ৰ ভিতৰত কাৰ্যকৰী কৰিবলৈ ফলপ্ৰসূ ব্যৱস্থা ল'বলৈ কয় সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই শ্বহীদ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশ লৈ অসম চুক্তিৰ প্ৰতিটো দফা নিৰ্দিষ্ট সময়ৰ ভিতৰত কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰলৈ আহ্বান জনাইছে। লগতে ভট্টাচাৰ্যই অসমত এক অভিযান চলাবলৈ আহ্বান জনাই কয় যে অসমৰ পৰা অবৈধ বিদেশী আৰু মৌলবাদীক পুলিয়ে-পোখাই উৎখাত কৰিবলৈ অভিযান চলাব লাগে। অসম চুক্তি অনুসৰি ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰিবলৈকো দাবী জনায়। বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰা, জাতীয় অস্তিত্ব ৰক্ষা কৰিবলৈ সাংবিধানিক ৰক্ষা কবচ, অৰ্থনৈতিক ৰক্ষা কবচ, জনজাতীয় বেল্ট-ব্লক সুৰক্ষিত কৰাৰ দাবী জনাইছে মুখ্য উপদেষ্টাগৰাকীয়ে। এনে কামসমূহ কৰি অসমত অসমীয়া মানুহৰ প্ৰভুত্ব আৰু চিৰকালৰ বাবে নিৰ্ণায়ক ভূমিকা লৈ থাকিব পৰাকৈ অধিকাৰ দিয়াৰ দাবী উত্থাপন কৰিছে ড০ ভট্টাচাৰ্যই। সদৌ গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত বগুৰানত শ্বহীদ দিৱস পালন কৰি ৮৫৫ জন শ্বহীদক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে জাতীয় সংগঠনটোৱে। বগুৰান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দিনজোৱা কাৰ্যসূচীৰে পালন কৰা কেন্দ্ৰীয় শ্বহীদ দিৱসৰ পতাকা উত্তোলন কৰে জাতীয় সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই। ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ছৰ্জুন হাগুৱে শ্বহীদ তৰ্পণ কৰাৰ লগতে মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। কেইবা কুৰি মহিলাই সমবেত সংগীত পৰিৱেশন কৰে। কাৰ্যসূচীত ৮৬০গৰাকী শ্বহীদৰ স্মৃতিত ৮৬০ গছি বন্তি প্ৰজ্বলন কৰা হয়। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাও অনুষ্ঠিত হয়। শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুসৰি বিয়লি অনুষ্ঠিত মুকলি সভাত কেবাগৰাকী বিশিষ্ট নাগৰিক উপস্থিত থাকে। নিশা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত ১৯৭৯ চনৰ পৰা অসমত আৰম্ভ হৈছিল ছয়বছৰীয়া অসম আন্দোলন। বিদেশী বিতাড়নৰ দাবী লৈ জাতীয় অস্তিত্ব ৰক্ষাৰ হকে কৰা আন্দোলনত ৮৫৫ জন অসমীয়া ডেকা শ্বহীদ হৈছিল। অসম আন্দোলন প্ৰথমগৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰে মাতৃভূমিৰ বাবে প্ৰাণ বিসৰ্জন দিছিল। এইগৰাকী শ্বহীদক স্মৰণ কৰিবলৈ প্ৰতি বছৰে ১০ ডিচেম্বৰত ছাত্ৰ সন্থাকে ধৰি বিভিন্ন জাতীয় দল-সংগঠনে শ্বহীদ দিৱস পালন কৰি আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বহীদসকলে তেজ দিছিল, এতিয়াৰ

শোণিতপুৰ জিলাৰ ঐতিহাসিক পকামূৰা পথাৰত কেন্দ্ৰীয়ভাৱে শ্বহীদ দিৱস পালন কৰে। পকামূৰা পথাৰত পুৱাই অসম আন্দোলনৰ শ্বহীদসকলক বন্তি প্ৰজ্বলন কৰি বিজেপিৰ নেতা-কৰ্মীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্বহীদ দিৱসৰ অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্বহীদ পৰিয়ালৰ কিছু সদস্যক সম্বৰ্ধনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম মাতৃৰ অমৃত সন্তানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ অৰ্থে ভাৰতীয় জনতা যুৱ মৰ্চা ৰাজ্যিক সমিতিয়ে শ্বহীদ দিৱস পালন কৰাত ধন্যবাদ জ্ঞাপন কৰিছো বুলি কয়। যুৱ প্ৰজন্মক ৰাজ্যখনৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে এক বিপ্লৱৰ নেতৃত্ব দিবলৈ আহ্বান জনায়। তেওঁ কয় যে, যদি অসম আন্দোলনৰ ৰাজনৈতিক লক্ষ্য আছিল বিদেশীসকলক ৰাজ্যৰ পৰা বিতাড়িত কৰা তেন্তে ইয়াৰ অৰ্থনৈতিক লক্ষ্য আছিল অসমৰ আত্মনিৰ্ভৰশীল কৰা। ৰাজ্যখনৰ যুৱপ্ৰজন্মক কৃষি, উদ্যোগ আৰু পৰিবহণকে ধৰি বিভিন্ন ক্ষেত্ৰত সক্ৰিয় ভূমিকা ল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখন অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ দিশে আগুৱাই গৈছে। যুৱকসকলে আত্মনিৰ্ভৰশীলতাৰ বাবে চেষ্টা কৰিব লাগিব। সেয়া কৃষি বা উদ্যোগ যতেও নহওঁক কিয়। অৰ্থনৈতিক স্বাধীনতাৰ বাবে আন্দোলন আৰম্ভ হোৱা উচিত। মুখ্যমন্ত্ৰীয়ে অসম আন্দোলনৰ শ্বহীদক স্মৰণ কৰি কয় যে শ্বহীদসকলে ৰাজ্যখনৰ বাবে তেজ দিছিল, এতিয়া যুৱক-যুৱতীসকলে ঘাম দিয়াৰ সময় আহি পৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে শ্বহীদসকলৰ পৰা আমি ত্যাগৰ অনুপ্ৰেৰণা লওঁ আৰু আমাৰ ৰাজ্যৰ বিকাশৰ বাবে নিৰন্তৰ কাম কৰিব লাগিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে পাকিস্তান আৰু বাংলাদেশে ভাৰতক ধৰ্মনিৰপেক্ষতাৰ উদাহৰণ হিচাপে লোৱা উচিত। দুয়োখন ৰাষ্ট্ৰৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ সৈতে কৰা আচৰণক গৰিহণা দি মুখ্যমন্ত্ৰীয়ে কয় যে ধৰ্মীয় মৌলবাদৰ ওপৰত প্ৰতিষ্ঠিত এখন দেশে সংখ্যালঘুসকলক সুৰক্ষা দিব নোৱাৰে। ভাৰত হৈছে ধৰ্মনিৰপেক্ষতাৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ। মই আশা কৰো যে আমাৰ চুবুৰীয়া দেশে আমাৰ পৰা শিকিব। মুখ্যমন্ত্ৰীয়ে অসমক ইজৰাইলৰ সৈতে ৰিজাই কয় যে শত্ৰু চুবুৰীয়াই ঘেৰি থকা স্বত্বেও অসমে উন্নয়নৰ ক্ষেত্ৰত অগ্ৰগতি অব্যাহত ৰাখিছে আৰু অনাগত দিনতো সেয়া হৈ থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায়াধীশৰ উগ্ৰ সাম্প্ৰদায়িক মন্তব্য

অনুষ্ঠানৰ সময়ত ন্যায়াধীশ যাদৱে মন্তব্য কৰি কৈছিল, "এই দেশখন সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ ইচ্ছা অনুসৰি চলিব। আৰু সেয়াই হৈছে আইনৰ শাসন।" যোৱা ৮ ডিচেম্বৰত প্ৰয়াগৰাজত বিশ্ব হিন্দু পৰিষদৰ এক অনুষ্ঠানত ন্যায়াধীশ যাদৱে দেশ সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰিছিল। ভাষণত তেওঁ কয় যে এই দেশ সংখ্যাগৰিষ্ঠৰ ইচ্ছা অনুসৰি চলিব। তেওঁ মুছলমান সম্প্ৰদায়ৰ হালাল প্ৰথা, একাধিক বিবাহৰ অনুমতি দিয়া আৰু মুছলমান শিশুক 'হিংসা শিকোৱা'ৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰে। ন্যায়াধীশ যাদৱৰ বক্তব্যক লৈ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিৰ পিছতেই উচ্চতম ন্যায়ালয়ে বিষয়টো গুৰুত্বসহকাৰে লয়। এই সন্দৰ্ভত আদালতে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ পৰা সম্পূৰ্ণ সবিশেষ বিচাৰিছে। উচ্চতম ন্যায়ালয়ে কয় যে, "সংবাদৰ ভিত্তিত আমি ন্যায়াধীশ যাদৱৰ বক্তব্যৰ বিষয়ে জানিব পাৰিছো। বিষয়টো বিবেচনা কৰা হৈছে।" ইফালে, ন্যায়াধীশগৰাকীৰ এই ভাষণক কেন্দ্ৰ কৰি ৰাজনৈতিক মহলতো তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ, এআইএমআইএমৰ মুৰব্বী আছাদুদ্দিন ওৱাইচিকে ধৰি কেইবাজনো বিৰোধী নেতাই এই মন্তব্যক সমালোচনা কৰে। সমাজবাদী পাৰ্টি আৰু কংগ্ৰেছে মুখ্য ন্যায়াধীশক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰণিধানযোগ্য যে, বিতৰ্কিত মন্তব্য কৰি ইয়াৰ পূৰ্বেও চৰ্চালৈ আহিছে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ শেখৰ কুমাৰ যাদৱ। ২০২১ চনত তেওঁ মন্তব্য কৰিছিল, "গৰুটোৱেই একমাত্ৰ প্ৰাণী যিয়ে শ্বাস-প্ৰশ্বাসৰ সৈতে অক্সিজেন নিৰ্গত কৰে।" আনকি তেওঁ গৰুটোক ৰাষ্ট্ৰীয় জন্তু হিচাপে ঘোষণা কৰাৰ দাবী জনায় আৰু ইয়াৰ সুৰক্ষাক "হিন্দুৰ মৌলিক অধিকাৰ" বুলি ঘোষণা কৰাৰ পৰামৰ্শ দিছিল। এতিয়া পুনৰ ন্যায়াধীশগৰাকীৰ মন্তব্যই দেশত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাক্তন বিদেশ মন্ত্ৰী কৃষ্ণা প্ৰয়াত

বৈদেশিক মন্ত্ৰী সোমনাহল্লী মল্লাইয়া কৃষ্ণই। বাংগালুৰুস্থিত নিজ বাসগৃহত ৯২ বছৰ বয়সত দেহাৱসান ঘটে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ। উল্লেখ্য যে, তেওঁৰ কাৰ্যকালতে বাংগালুৰু বিশ্বৰ মানচিত্ৰত 'চিলিকন ভেলী' নামেৰে পৰিচিত হৈছিল। যোৱা বছৰ তেওঁক পদ্ম বিভুষণ বঁটাৰে সন্মানিত কৰা হৈছিল। মৃত্যুৰ সময়ত এছ এম কৃষ্ণই এৰি থৈ গৈছে পত্নী প্ৰেমা আৰু দুগৰাকী কন্যা শম্বৰী আৰু মালবিকাক। ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ছিদ্দাৰমায়া আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে। জানিব পৰা মতে, যোৱা কেইমাহমানৰ পৰা শাৰীৰিক অসুস্থতাৰ বাবে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ৰাতিপুৱাৰ ভাগত তেওঁ বাংগালুৰুৰ ঘৰত শেষ উশাহ লৈছিল। তেওঁৰ মৃত্যুত স্তম্ভিত হৈ পৰিছে দক্ষিণ ভাৰতৰ ৰাজনৈতিক মহল। ১৯৯৯ চনৰ পৰা ২০০৪ চনলৈ কৰ্ণাটকৰ মুখ্যমন্ত্ৰী আছিল এছ এম কৃষ্ণ। ২০০৯ চনৰ পৰা ২০১২ চনলৈ তেওঁ তেতিয়াৰ প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ চৰকাৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰণৱ মুখাৰ্জীৰ পিছত তেওঁ এই গুৰুত্বপূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছিল। লগতে ২০০৪ চনৰ পৰা ২০০৮ চনলৈকে মহাৰাষ্ট্ৰৰ ৰাজ্যপালৰ দায়িত্ব পালন কৰিছিল। কৰ্ণাটকৰ মাণ্ডা জিলাৰ সোমনহল্লীত ১৯৩২ চনত এছ এম কৃষ্ণৰ জন্ম হৈছিল। টেক্সাছ চাউদাৰ্ণ মেথডিষ্ট বিশ্ববিদ্যালয়ৰ পৰা আইন ডিগ্ৰী লাভ কৰে। ১৯৬২ চনত মাদ্দুৰ বিধানসভাৰ আসনৰ পৰা নিৰ্বাচিত হৈ ৰাজনীতিত প্ৰৱেশ কৰে এছ এম কৃষ্ণই। ৰাজনৈতিক জীৱনৰ আৰম্ভণিতে তেওঁ প্ৰজা সমাজতান্ত্ৰিক দলৰ সৈতে জড়িত আছিল যদিও পিছলৈ তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে। ৰাজনৈতিক জীৱনৰ শেষৰ ফালে তেওঁ বিজেপিত যোগদান কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধনখড় বিতৰ্ক, উভয় সদনত এক

একত্ৰিত কৰিলে বিৰোধী ইণ্ডিয়া মিত্ৰজোঁটক। শেহতীয়াকৈ দেশৰ ৰাজনীতিয়ে এক নতুন মোৰ লৈছে। ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ৰ বিৰুদ্ধে বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ ঐক্যবদ্ধ অনাস্থা প্ৰস্তাৱক লৈ বৃদ্ধি পাইছে উত্তেজনা। প্ৰথমবাৰৰ বাবে শীতকালীন অধিবেশনত বিৰোধী ঐক্যৰ এনে ছবি পোহৰলৈ আহিল। ইয়াৰ পূৰ্বে তৃণমূল, আপ বা সমাজবাদী পাৰ্টিয়ে 'আদানি' বিষয়ত কংগ্ৰেছৰ স্থিতিৰ পৰা দূৰত্ব বজাই ৰাখিছিল যদিও 'ধনখড় বিতৰ্ক'ই সকলোকে একত্ৰিত কৰা পৰিলক্ষিত হৈছে। ৰাজ্যসভাৰ অধ্যক্ষ তথা উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক অপসাৰণৰ বাবে বিৰোধী মিত্ৰজোঁটে দাখিল কৰা অনাস্থা প্ৰস্তাৱত স্বাক্ষৰ কৰিছে ৬০জন সাংসদে। কংগ্ৰেছ, তৃণমূল, আম আদমী পাৰ্টি, ডি এম কে-কে ধৰি 'ইণ্ডিয়া'ৰ প্ৰায় সকলো অংশীদাৰৰ নাম অন্তৰ্ভুক্ত হৈছে এই তালিকাত। ইতিমধ্যে ৰাজ্যসভা সচিবালয়ত অনাস্থা প্ৰস্তাৱ দাখিল কৰা হৈছে। নিয়ম অনুসৰি প্ৰথমে ৰাজ্যসভাত আৰু তাৰ পিছত লোকসভাত এই প্ৰস্তাৱ দাখিল কৰা হ'ব। যদিও সাংসদৰ সংখ্যাৰ ক্ষেত্ৰত বিৰোধীয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰাটো কাৰ্যতঃ অসম্ভৱ, কিন্তু ৰাজনৈতিক মহলৰ মতে এই প্ৰস্তাৱে বিৰোধীৰ ঐক্যৰ নীতিগত স্থিতিক উজ্জ্বল কৰি তুলিব বিচাৰিছে। উল্লেখ্য যে, আদানি বিতৰ্কক লৈ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধীয়ে সমবেত হোৱাৰ সময়তে তৃণমূলে নিজৰ দূৰত্ব বজাই ৰাখিছিল। মমতা বেনাৰ্জীয়ে এক সাক্ষাৎকাৰত কয় যে আমি আমদানি-ৰপ্তানি বুজি নাপাওঁ, আমাৰ জামদানী আছে।" তৃণমূলৰ মতে সংসদক অচল কৰি মানুহৰ দাবী বা কেন্দ্ৰীয় বঞ্চনাৰ প্ৰশ্ন উত্থাপন কৰাটো সম্ভৱ নহয়। তেওঁলোকে বংগৰ ছটা গুৰুত্বপূৰ্ণ দাবীক অগ্ৰাধিকাৰ দিব বিচাৰে। কংগ্ৰেছৰ আদানি বিৰোধী প্ৰতিবাদত ইণ্ডিয়া মিত্ৰজোঁটৰ বহু অংশীদাৰ দলে অংশগ্ৰহণ কৰাৰ বিপৰীতে এই প্ৰতিবাদৰ পৰা দূৰৈত অৱস্থান গ্ৰহণ কৰা দেখা দায় তৃণমূল কংগ্ৰেছক। দলটোৰ সাংসদ ডেৰেক অ'ব্ৰাইনে স্পষ্টকৈ কয় যে বিজেপিৰ বিৰুদ্ধে যুঁজত কৌশলগত ঐক্য থাকিলেও প্ৰতিটো দলৰ এজেণ্ডা বেলেগ হ'ব পাৰে। কিন্তু আদানি বিতৰ্কই যি কৰিব নোৱাৰিলে, এতিয়া সেয়া কৰি দেখুৱাইছে ধনখড় বিতৰ্কই। দেশবাসীৰ সন্মুখত বিৰোধীৰ ঐক্য দেখুৱাই এক নতুন বাৰ্তা দিব বিচাৰিছিল বিৰোধীয়ে। সংখ্যাৰ যুদ্ধত জয় অসম্ভৱ যদিও নৈতিক স্থিতিৰ বাবে লোৱা এই প্ৰচেষ্টাক তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাইডুক পুনৰ সাক্ষাৎ গৌৰৱৰ

বিমান পৰিবহণ মন্ত্ৰী কিঞ্জৰাপু ৰামমোহন নাইডুক সাক্ষাৎ কৰে যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে। আজি সদন চলি থকাৰ সময়তে গৌৰৱ গগৈয়ে যোৰহাট-দিল্লীৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ কৰিবলৈ দাবী জনাই যোৰহাটৰ সাংসদগৰাকীয়ে। পূৰ্বে প্ৰদান কৰা স্মাৰকপত্ৰ সন্দৰ্ভত বিভাগে কি ব্যৱস্থা লৈছে তাৰো স্থিতিৰ বুজ লয় গগৈয়ে। গৌৰৱ গগৈয়ে জানিবলৈ দিয়া মতে, ২০২৪ চনৰ জুলাই মাহত স্মাৰকপত্ৰ দিয়াৰ পিছতে যোৰহাট-দিল্লীৰ মাজত প্ৰাৰম্ভিকভাৱে স্পাইচজেটে বিমান সেৱাৰ কাম-কাজ আৰম্ভ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু কোনো বিশেষ অগ্ৰগতি হোৱা নাই। আজি পুনৰ হেঁচা প্ৰয়োগ কৰি প্ৰত্যক্ষ বিমানৰ অভাৱত যাত্ৰীসকলে যে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে সেই কথা মন্ত্ৰীগৰাকীক অৱগত কৰে। গৌৰৱ গগৈয়ে আৰু কয় যে প্ৰত্যক্ষ বিমান সেৱা নথকাত যোৰহাটবাসীৰ ওপৰত যথেষ্ট আৰ্থিক বোজা পৰিছে। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ আন আন চহৰসমূহে দিল্লীলৈ পোনপটীয়া বিমান সংযোগ লাভ কৰিছে যদিও গুৰুত্বপূৰ্ণ যোৰহাট চহৰক এই সেৱাৰ পৰা বঞ্চিত কৰা হৈছে। মন্ত্ৰীগৰাকীক এই বিষয়টো গুৰুত্ব সহকাৰে চোৱাচিতা কৰিবলৈ আহ্বান জনোৱাৰ লগত বিগত সময়ত দিল্লী-যোৰহাট পোনপটীয়া সংযোগী ইণ্ডিগো বিমানখনৰ চলাচল পুনৰ আৰম্ভ কৰিবলৈও অনুৰোধ জনায় সাংসদগৰাকীয়ে। দিল্লী আৰু যোৰহাটৰ মাজত পোনপটীয়া বিমান সেৱাৰ বাবে ইণ্ডিগো এয়াৰলাইঙ্গক অগ্ৰাধিকাৰৰ বিষয়টো চোৱা-চিতা কৰাৰ লগতে বিকল্পসমূহ ব্যৱস্থা কৰিবলৈও সাংসদগৰাকীয়ে মন্ত্ৰীগৰাকীক আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চৰ বৈঠক

ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কাৰ্যনিৰ্বাহক সভাই অনাগত দিনত ছয় জনগোষ্ঠীৰ দাবী পূৰণৰ হকে কেইবালানিও প্ৰতিবাদী কাৰ্যসূচী লোৱাৰ সিদ্ধান্ত লয়। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁই, চুতীয়া ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক কৌস্তভ কিশোৰ চুতীয়া, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি বলোৰাম বৰ্ম, দ্বীপেন ৰায়, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈ, আটছাৰ সভাপতি ধীৰাজ গোৱালা, সাধাৰণ সম্পাদক জগদীশ বৰাইকৰ উপস্থিতিত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ২০২৫ চনৰ জানুৱাৰী মাহত এখন ৰাজনৈতিক অভিৰৰ্তন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয় বৈঠকে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ যোগেদি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ সৈতে বৈঠক অনুষ্ঠিত কৰা, জনজাতিকৰণৰ দাবীক লৈ ৰাজ্যৰ গাঁৱে-ভূঞে আৰু চাহ বাগিচাসমূহত জনজাগৰণ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। উজনিত এখন, মধ্য অসমত দুখন, নামনি অসমত এখন বিশাল গণসমাৰেশ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। মিলন বুঢ়াগোহাঁইক জনজাতিকৰণৰ দাবীত কৰা আন্দোলনৰ পৰা আঁতৰাই ৰখাৰো সিদ্ধান্ত লয়। ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ সৈতে সদৌ টাই আহোম ছাত্ৰ সন্থাই ঐক্যৱদ্ধভাৱে সংগ্ৰাম অব্যাহত ৰাখিব বুলি কয় সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈয়ে। বসন্ত গগৈয়ে কয় যে ঐক্যৱদ্ধ সংগ্ৰাম অবিহনে জনজাতিকৰণ প্ৰাপ্তি অসম্ভৱ। জনজাতিকৰণ আমাৰ জন্মস্বত্ব অধিকাৰ। এই অধিকাৰৰ পৰা আমাক কোনেও বঞ্চিত কৰিব নোৱাৰে। জনজাতিকৰণ অবিহনে আমাৰ সংগ্ৰাম কেতিয়াও থমকি নৰয়। বিজেপি দলে ২০১৪ চনৰ লোকসভা নিৰ্বাচন আৰু ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ছয় জনগোষ্ঠী টাই-আহোম, মৰাণ, মটক, কোচ ৰাজবংশী, চুতীয়া, আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। টাই-আহোম, মৰাণ, মটক, কোচ ৰাজবংশী, চুতীয়া, আৰু চাহ জনগোষ্ঠীয়ে জনজাতি কৰণৰ দাবীত অহৰহ প্ৰতিবাদ কৰি আহিছে। ছয় জনগোষ্ঠীয়ে যৌথ মঞ্চ গঠন কৰি প্ৰতিবাদ অব্যাহত ৰাখিছে। ঐতিহ্য সংৰক্ষণ, নিজস্ব ভাষা, ৰীতি-নীতি, পৰম্পৰাৰ সুকীয়া সাংস্কৃতিক সত্তা বৰ্তাই ৰাখিবলৈ এছটিৰ মৰ্যাদা দৰকাৰ বুলি কৈ আহিছে। বিজেপিয়ে প্ৰতিবাৰে নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিয়ে যদিও নিৰ্বাচনৰ পিছতে মুৰপোলোকা মাৰে। ২০১৪ চনৰ লোকসভা নিৰ্বাচন আৰু ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিছিল। তদ্ৰুপ ২০১৯ চনৰ লোকসভা নিৰ্বাচন আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছিল। প্ৰতিবাৰে প্ৰতিশ্ৰুতিৰ ললিপপ দি জনগোষ্ঠীকেইটাৰ ভোট আদায় কৰে যদিও ভোট পাৰ হৈ যোৱাৰ পিছতে বিজেপিয়ে পিঠি দেখুৱায়। যাৰ ফলত বিজেপিৰ প্ৰতিশ্ৰুতিত অতিষ্ঠ ছয় জনগোষ্ঠী ঐক্য মঞ্চই এইবাৰ প্ৰতিবাদৰ ধৰণ কিছু সলনি কৰা পৰিলক্ষিত হৈছে। ৰাজপথ কঁপোৱাৰ পৰিৱৰ্তে গাঁৱে গাঁৱে গৈ সাধাৰণ ৰাইজক সজাগ কৰিবলৈ প্ৰয়াস কৰিব বুলি জানিব পৰা গৈছে। নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণৰ দাবীক লৈ এঘড়ী যুঁজিবলৈ সাজু হোৱাৰ ইংগিত দিছে জনগোষ্ঠীৰ ঐক্য মঞ্চই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰপেটাত নিশা পথ দুৰ্ঘটনাত নিহত

দুৰ্ঘটনাত পথচাৰী-যাত্ৰীৰ প্ৰাণ যোৱাৰ সময়তে পুনৰ এক কৰুণ পথ দুৰ্ঘটনাই ৰাজ্যখনক জোকাৰি গৈছে। এইবাৰ নামনি অসমৰ বৰপেটা জিলাত সংঘটিত পথ দুৰ্ঘটনাত দুগৰাকী অগপ নেতাৰ মৃত্যু হোৱাৰ লগতে আন দুগৰাকী লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। বৰপেটাৰ মৌটুপুৰীত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত থিতাতে নিহত হয় দুই অগপ নেতা বিপুল কৃষ্ণ দাস আৰু সূৰ্য তালুকদাৰ। আঘাতপ্ৰাপ্ত দুজন হৈছে হৰিহৰ কলিতা আৰু কিশক ঠাকুৰীয়া। নিহত বিপুল কৃষ্ণ দাস আৰু সূৰ্য তালুকদাৰ আৰু আঘাতপ্ৰাপ্ত হৰিহৰ কলিতা আৰু কিশক ঠাকুৰীয়াৰ ঘৰ ভৱানীপুৰৰ সৰুটাপা গাঁৱত। হৰিহৰ কলিতা আৰু কিশক ঠাকুৰীয়াৰ বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসা চলি থকা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, ভৱানীপুৰৰ সৰুটাপা গাঁৱৰ বিপুল কৃষ্ণ দাসে ছয়মাহ পূৰ্বে ক্ৰয় কৰা বগা ৰঙৰ স্ক'ৰপিঅ'খনেৰে সূৰ্য তালুকদাৰ, হৰিহৰ কলিতা আৰু কিশক ঠাকুৰীয়াৰ সৈতে বৰপেটাৰোডৰ পৰা ভৱানীপুৰৰ সৰুটাপা গাঁৱৰ ঘৰলৈ আহি আছিল। বৰপেটাৰোড পাৰ হৈ মৌটুপুৰী নামৰ ঠাইত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ঘাইপথৰ মাজৰ ডিভাইডাৰৰ গছত তীব্ৰ গতিত খুন্দা মাৰে। খুন্দা মৰাত গাড়ীখনৰ সন্মুখভাগৰ বৃহৎ ক্ষতি হয়। ফলত গাড়ীৰ ভিতৰতে বিপুল কৃষ্ণ দাস থিতাতে নিহত হোৱাৰ লগতে সূৰ্য তালুকদাৰৰ চিকিৎসালয়ৈ লৈ যোৱাৰ পথত মৃত্যু হয়। তিনিটা সন্তানৰ পিতৃ বিপুল কৃষ্ণ দাস এজন আগশাৰীৰ ঠিকাদাৰ। কোকৰাঝাৰৰ প্ৰাক্তন সাংসদ হীৰা শৰণীয়াৰ ঘনিষ্ঠ বিপুলকৃষ্ণ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিত নিৰ্বাচন খেলিবলৈ তৎপৰতা বৃদ্ধি কৰিছিল। এই ঘটনাই সমগ্ৰ ভৱানীপুৰত শোকৰ ছাঁ পেলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুম্বাইত ভয়ংকৰ বাছ দুৰ্ঘটনাত নিহত

সংঘটিত ভয়ংকৰ বাছ দুৰ্ঘটনাত নিহত সংখ্যা সাত জনলৈ বৃদ্ধি পাইছে। এই মৰ্মান্তিক ঘটনাৰ পিছত মহাৰাষ্ট্ৰৰ 'মহাযুটি' চৰকাৰে নিহত পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে। উল্লেখ্য যে, সোমবাৰে নিশা প্ৰায় ১০:৩০ বজাত সংঘটিত হয় এই সকৰুণ ঘটনা। কুৰলাত এখন যাত্ৰীবাহী বাছে নিয়ন্ত্ৰণ হেৰুৱাই ৩০-৪০ খন গাড়ীত খুন্দা মাৰে। ইয়াৰ পিছতে নিয়ন্ত্ৰণহীন বাছখনে খুন্দা মাৰে এটা বাসগৃহৰ মূল গেটত। এই ভয়ংকৰ দুৰ্ঘটনাত প্ৰথম অৱস্থাত চাৰিজন পথচাৰীৰ মৃত্যু হোৱাৰ খবৰ আহিছিল যদিও পিছত আৰক্ষীয়ে কয় যে মৃত্যুৰ সংখ্যা সাতজনলৈ বৃদ্ধি পাইছে। আনহাতে দুৰ্ঘটনাটোত আহত হৈছে ৪৯ জনকৈ লোক। দুৰ্ঘটনাটোত জড়িত বাছখন বৃহনমুম্বাই বিদ্যুৎ যোগান আৰু পৰিবহণৰ বুলি জানিব পৰা গৈছে। কুৰলা ষ্টেচনৰ পৰা আন্ধেৰীলৈ যোৱা পথত সংঘটিত হয় এই দুৰ্ঘটনা। যাত্ৰীসকলে জনোৱা মতে, হঠাতে বাছখনৰ গতি বৃদ্ধি পায়। আতংকিত যাত্ৰীসকলে চিঞৰ-বাখৰ কৰি বাছখনক ৰখাবলৈ অনুৰোধ কৰে যদিও বাছখন ৰখোৱাত ব্যৰ্থ হয় চালক। তাৰ পিছত কেইছেকেণ্ডমানৰ ভিতৰতে সংঘটিত হয় এক মৰ্মান্তিক দুৰ্ঘটনা। মহাৰাষ্ট্ৰ আৰক্ষীৰ উপ আয়ুক্ত গণেশ গৌৰেড়ে কয় যে, বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই কেইবাখনো বাহনত খুন্দা মাৰে। দুৰ্ঘটনাৰ পিছত ততাতৈয়াকৈ আহত সকলক উদ্ধাৰ কৰি হাস্পতালত ভৰ্তি কৰোৱা হয়। এই ভয়ংকৰ দুৰ্ঘটনাৰ তদন্ত আৰম্ভ হোৱা বুলিও জানিবলৈ দিয়ে আৰক্ষী বিষয়াগৰাকীয়ে। ইফালে সোমবাৰে নিশাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বাছ চালক সঞ্জয় মʼৰক। তেওঁৰ বিৰুদ্ধে অনিচ্ছাকৃত হত্যাৰ গোচৰ ৰুজু কৰা হৈছে। চালকজনক মদ্যপান কৰিছিল নে নাই পৰীক্ষা কৰা হৈছে। মঙলবাৰে পুৱা ফৰেনছিক বিশেষজ্ঞই সেই স্থানত উপস্থিত হৈ নমুনা সংগ্ৰহ কৰে। বাছখনত যান্ত্ৰিক বিসংগতি হৈছিল নে নাই, তাৰো তদন্ত চলি আছে। তদন্তৰ অন্তত প্ৰকৃত কাৰণ জানিব পৰা যাব বুলি ধাৰণা কৰা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চোৰাং গৰু সৰবৰাহৰ ক'ৰিডৰত পৰিণত

দেখুওৱা এইখন চৰকাৰৰ দিনত গো-ধনৰ ৰমৰমীয়া অবৈধ বেহা চলিছে উজনি অসমত। ৯.১৫ কিঃ মিঃ দৈৰ্ঘ্যৰ দেশৰ মানচিত্ৰত আটাইতকৈ দীঘল দলং হিচাপে স্বীকৃত ধলা-শদিয়াস্থিত ডঃ ভূপেন হাজৰিকা সেঁতু এতিয়া চোৰাং গৰু সৰবৰাহৰ এক অন্যতম ক'ৰিডৰত পৰিণত হোৱাত প্ৰতিজন স্বাভিমানী অসমীয়াক মনোকষ্ট দিছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত এছিয়া মহাদেশৰ ভিতৰত দ্বিতীয় আৰু ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথম দীৰ্ঘতম দলং প্ৰতিজন অসমীয়াৰ হিয়াৰ আমঠুস্বৰূপ। কিন্তু এতিয়া বিশ্ববৰেণ্য শিল্পী, ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্মস্থান শদিয়াক সংযোগী ডঃ ভূপেন হাজৰিকা সেঁতুৰ ওপৰেৰে প্ৰতিদিনে সৰবৰাহ হয় গো-ধন। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ শদিয়াৰ লগতে দক্ষিণপাৰৰ ধলা অঞ্চলৰ একাংশ খেতিয়ক ৰাইজৰ গো-ধন এতিয়া ডঃ ভূপেন হাজৰিকা সেঁতুৰে ধলাগাঁও তিনিআলি হৈ ডাঙৰী, তালাপ-ৰূপাই-ডুমডুমা-বৰহাপজান হৈ অসমৰ বিভিন্ন প্ৰান্তলৈ নিতৌ গো-ধন সৰবৰাহ হৈ অহাৰ সত্বেও চৰকাৰ-প্ৰশাসনে নিৰ্বিকাৰ হৈ থকাৰ অভিযোগ উত্থাপিত হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গোমাংস নিষিদ্ধ কৰাৰ সময়তে তিনিচুকীয়া জিলাৰ শদিয়া, ছেখোৱা, লাওপানী, হাঁহখাটিৰ পৰা দৈনিক হাৰত পশুধন চুৰি হোৱাৰ ঘটনাই ৰাইজ তথা সচেতন মহলক উদ্বিগ্ন কৰি তুলিছে। অশেষ কষ্টৰে খেতি মাটি ডৰাত বছৰেকৰ খেতিটো কৰি সম্প্ৰতি খেতি চপোৱাৰ প্ৰাক্কক্ষণত গৰু এহাল হেৰুওৱাত দুখীয়া খেতিয়কৰ কি অৱস্থা হ'ব পাৰে সেয়া নকলেও হ'ব। গুৰুত্বপূৰ্ণ তথা অতিপৰিতাপৰ কথা এয়ে যে ছেখোৱাৰ ডঃ ভূপেন হাজৰিকা সেঁতুৰে দৈনিক হাৰত জিলাখনৰ কিছুমান নিৰ্দিষ্ট ঠাইলৈ দিনৰ পোহৰতেই বলেৰ' পিক-আপ, টাটা এচ' বাহনত কোনোধৰণৰ কেটেল পাৰ্মিট নোহোৱাকৈ ৮/৯ টাকৈ গৰু লৈ যোৱাৰ দৃশ্য এতিয়া সুলভ হৈ পৰিছে। যদিওঁ আৰক্ষী-প্ৰশাসনে এই সন্দৰ্ভত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ দৰে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। দিনে-ৰাতিয়ে পহৰা দি দলংখনত সক্ষম হৈ থকা আৰক্ষীৰ লোকৰ লগতে কাষতে থকা ছেখোৱাঘাট আৰক্ষী চকী, ধলা আৰক্ষী থানাৰ নাকৰ তলেদিয়েই দিন-দুপৰতে একাংশ চোৰাং বেপাৰীয়ে ডেমকেয়াৰ হৈ প্ৰতিদিনে এনেকৈ ৰাইজৰ পশুধন সৰবৰাহ কৰা কাৰ্যত এক প্ৰকাৰ সৰৱ হৈ পৰিছে ছেখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে সমাজ-সচেতন মহল। ছেখোৱা আঞ্চলিক ছাত্ৰ সন্থাই এই ধৰণৰ ঘটনাক লৈ গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰা আৰু সম্পাদক অভিনন্দন কলিতাই বৃহত্তৰ ছেখোৱা অঞ্চলত সঘনাই হৈ থকা গৰু চুৰিৰ চক্ৰটো উৎখাত কৰি কৃষক ৰাইজক সকাহ দিবলৈ আৰক্ষী-প্ৰশাসনৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহবান জনাইছে। উল্লেখ্য যে, যি সময়ত চৰকাৰে ৰাজ্যৰ হোটেল, ৰেস্তোৰাঁকে ধৰি সকলো ৰাজহুৱা অনুষ্ঠানত গো-মাংস সম্পূৰ্ণৰূপে নিষিদ্ধ ঘোষণা কৰাক লৈ তীব্ৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া অব্যাহত আছে, সেই সময়তে উজনি অসমৰ তিনিচুকীয়া জিলাৰ পূব-প্ৰান্তত অৱস্থিত ছেখোৱাত প্ৰতিদিনে গৰুৰ চোৰাং সৰবৰাহ চলি থকা কাৰ্যই এতিয়া ৰাইজ অস্বস্তিত পৰিছে যদিওঁ চৰকাৰ-প্ৰশাসনে এই সন্দৰ্ভত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষণীয় হ'ব। ইফালে, নামনি অসমৰ গোলকগঞ্জ অঞ্চলত প্ৰতিদিনে অতি কমেও দুখনকৈ হ'লেও গৰু সৰবৰাহকাৰী ভিন্ন প্ৰকাৰৰ বাহন জব্দ হোৱা বিষয়টোৱেও চাঞ্চল্যৰ সৃষ্টি কৰিছে উজনিৰ পশুপালকসকলৰ মাজত। বহুতেই নামনিত অসম-পশ্চিমবংগ সীমান্তত ধৰা পৰা গো-ধন সৰবৰাহকাৰী বাহনসমূহত থকা গৰুবোৰ উজনিৰ পৰাই নি থকা হৈছে বুলিও সন্দেহ ব্যক্ত কৰিছে। গো-সুৰক্ষাৰ কথা কোৱা চৰকাৰ এখনৰ দিনত কেনেকৈ এনেকৈ গৰুৰ অবৈধ বেহা চলিব থাকিব পাৰিছে সেই লৈয়ো চিন্তিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ। যিসময়ত দুখীয়া কৃষকে হালৰ গৰুহাল বেচিবলৈ বিচাৰিলে বিভিন্ন নীতি-নিয়মৰ মাজেৰে যাবলগীয়া হয় বাবে বেচিবলৈকে বাদ দিছে সেই সময়ত অবৈধ সৰবৰাহকাৰীসকলে কেনেকৈ ইখন ঠাইৰ পৰা সিখন ঠাইলৈ অতিসহজে উজনি অসমৰ গৰু নি নামনি অসম হৈ বহিঃৰাজ্য তথা বহিঃৰাষ্ট্ৰলৈ নিয়াৰ ব্যৱস্থা কৰি আহিছে সেই বিষয়টোৱেও সকলোৰে চকু কপালত তুলিছে। উল্লেখ্য যে, কিছুদিন পূৰ্বে শিৱসাগৰ অঞ্চলত ৰাইজে গো-ধনৰ সুৰক্ষাৰ বাবে ৰাজপথলৈ ওলাই আহি আন্দোলন কৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছিল। তাৰপিছতো কিন্তু আজিও উজনিৰ পৰা এনেকৈ গৰুৰ অবৈধ সৰবৰাহ চলিয়েই আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক গালি ছনু নিগমৰ

বিশিষ্ট ব্যক্তিসকলক সম্বোধন কৰি তেওঁ আক্ষেপেৰে ছ'চিয়েল মিডিয়াত লিখিছে, 'এনে অনুষ্ঠানলৈ নাহিলেই ভাল। আৰু যদি আহেও, তেন্তে শ্ব' আৰম্ভ হোৱাৰ আগতেই গুচি যাওক।" দৰাচলতে সংগীতানুষ্ঠান চলি থকাৰ সময়তে মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰী, মন্ত্ৰী, নেতা আৰু একাংশ অতিথিয়ে অনুষ্ঠান এৰি গুচি যোৱাৰ বাবেই এইদৰে ক্ষোভ জাহিৰ কৰে চনু নিগমে। তেওঁ লিখিছে, "যদি যাবই লাগে, তেন্তে শ্ব' আৰম্ভ হোৱাৰ আগতেই গুচি যাওক। এনেদৰে মাজতে উঠি গুচি যোৱাটো শিল্প আৰু সংস্কৃতিৰ প্ৰতি এক অসন্মান।" চনু নিগমে লগতে কয়, 'মোৰ শ্ব'টো ইমান ভালকৈ চলি আছিল। কিন্তু মাজতে গুচি যোৱাটো ঠিক নহয়। পৃথিৱীৰ কোনো ঠাইতে এনে নহয়। আমেৰিকাতো নহয়। যদি আপুনি ইয়াক সন্মান কৰিব নোৱাৰে তেন্তে অনুগ্ৰহ কৰি এনে অনুষ্ঠানলৈ নাহিব। শ্ব'ৰ মাজত উঠি যোৱাটো উদ্যোগটোৰ প্ৰতি অসন্মান কৰাৰ লক্ষণ।" উল্লেখ্য যে, গ্ল'বেল ইনভেষ্টমেণ্ট ছামিট ২০২৪ৰ আৰম্ভণি ৰাজস্থানৰ বীৰ কাহিনী আৰু চহকী সংস্কৃতি প্ৰদৰ্শন কাৰ্যসূচীৰে হয়। এই অনুষ্ঠানত মহাৰাণা প্ৰতাপ, পৃথ্বীৰাজ চৌহান, মীৰাবাঈৰ দৰে ৰাজস্থানৰ ঐতিহাসিক চৰিত্ৰৰ বীৰত্ব আৰু কাহিনীৰ ওপৰত আলোকপাত কৰা হৈছে। ৰাজস্থানৰ গৌৰৱময় ইতিহাসে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলে অনুষ্ঠানত। তাৰ পাছতে মঞ্চলৈ সংগীত পৰিৱেশনৰ বাবে আহে চনু নিগম। এই অনুষ্ঠানৰ সময়ত মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, উপ-মুখ্যমন্ত্ৰী দিয়া কুমাৰী, উপ-মুখ্যমন্ত্ৰী ডঃ প্ৰেমচান্দ বয়াৰৱা, ৰাজ্যসভাৰ সাংসদ মদন ৰাথোৰ আৰু মুখ্য সচিব সুধাংশু পন্ত উপস্থিত থাকে। এই অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল ৰাজস্থানৰ সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন আৰু বিনিয়োগকাৰীক আকৰ্ষণ কৰা। কিন্তু অনুষ্ঠানৰ সময়ত একাংশ বিশিষ্ট অতিথিৰ আচৰণে বিতৰ্কৰ সৃষ্টি কৰে। চনু নিগমৰ ছ'চিয়েল মিডিয়া পোষ্টৰ পিছত নেটিজেনৰ মাজতো এই বিষয়ক লৈ চৰ্চা চলিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ বাৰ বিধায়ক হ'ল বিদেশী নাগৰিক

প্ৰাক্তন বিধায়কে। তেলেংগানা উচ্চ ন্যায়ালয়ৰ ৰায়দানত ভাৰতীয় নাগৰিকত্ব হেৰুৱায় বি আৰ এছৰ প্ৰাক্তন বিধায়ক চেন্নামানেই ৰমেশে। সোমবাৰে আদালতে তেওঁক জাৰ্মান নাগৰিক ঘোষণা কৰাৰ লগতে ন্যায়পালিকাক বিভ্ৰান্ত কৰাৰ অপৰাধত ৩০ লাখ টকাৰ জৰিমণা বিহে। তদন্তত প্ৰকাশ পোৱা অনুসৰি, ১৯৯০ চনত ৰমেশে জাৰ্মান নাগৰিকত্ব লাভ কৰিছিল। কিন্তু ২০০৮ চনত ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰাৰ সময়ত এই তথ্য লুকুৱাই ৰাখিছিল। যদিও তেওঁ নিজকে 'ৰাষ্ট্ৰহীন' বুলি দাবী কৰিছিল, তথাপিও তেওঁৰ হাতত জাৰ্মানীৰ বৈধ পাছপ'ৰ্ট আছিল, যিটো তেওঁ ২০২৩ চনলৈকে নবীকৰণ কৰিছিল। ইয়াৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ২০১৯ চনত তেওঁৰ নাগৰিকত্ব বাতিল কৰে। ইয়াৰ পিছতে আদালতত সেই সিদ্ধান্তক প্ৰত্যাহ্বান জনায় ৰমেশে। কিন্তু জাৰ্মান নাগৰিকত্ব ত্যাগ কৰাৰ প্ৰমাণ দেখুৱাব নোৱাৰাৰ বাবে আদালতে কেন্দ্ৰৰ এই নিৰ্দেশক সমৰ্থন জনায়। আদালতে কয় যে ৰমেশৰ এই কাৰ্য্যই প্ৰকৃত ভাৰতীয় নাগৰিকৰ অধিকাৰ খৰ্ব কৰাৰ লগতে দ্বৈত নাগৰিকত্ব নিষিদ্ধ কৰা আইন উলংঘা কৰিছে। উল্লেখ্য যে, ২০০৯ চনত তেলেগু দেশম পাৰ্টিৰ প্ৰথম বিধায়ক হিচাপে বিধানসভালৈ নিৰ্বাচিত হৈছিল ৰমেশ। পিছত বি আৰ এছত যোগদান কৰি একেটা সমষ্টিৰ পৰা তেওঁ একেৰাহে তিনিবাৰ জয়ী হয়। কিন্তু নাগৰিকত্বক লৈ হোৱা বিতৰ্কৰ বাবে ২০২৩ চনৰ নিৰ্বাচনত তেওঁ টিকট লাভৰ পৰা বঞ্চিত হোৱাত নিৰ্বাচন খেলিব নোৱাৰিলে।

# শ্বহীদ দিৱসতো অনাদৃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্বহীদ বেদী, কর্তৃপক্ষক সাক্ষাৎ আছুৰ

**ই-সংবাদ, ১০ ডিচেম্বৰঃ** অসম আন্দোলনৰ সময়ত পাতনি আৰম্ভ হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। প্ৰথমবাৰ দৰং জিলাৰ ভোটাৰ তালিকাত সন্দেহজনক লোকৰ নাম অন্তৰ্ভুক্ত হোৱাত বিদেশীমুক্ত অসমৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই আন্দোলনৰ হুংকাৰ দিয়ে। প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত বিদেশী সমস্যাক লৈ গুৰুত্ব পূৰ্ণ আলোচনা বহিছিল আছু। অসমত নিৰ্বাচন আৰু লোকপিয়ল বন্ধ ৰাখিবলৈ আন্দোলনৰ সিদ্ধান্ত লোৱাৰ পিছতে পৰৱৰ্তী সনয়ত সমগ্ৰ অসমত ৮৫৫ গৰাকী লোক শ্বহীদ হৈছিল। যিখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসম আন্দোলনৰ আৰম্ভণি হৈছিল সেইখন গুৱাহাটীত বিশ্ববিদ্যালয়ত অসম আন্দোলনৰ শ্বহীদৰ স্মৃতিত নিৰ্মিত শ্বহীদ বেদী আওকাণ কৰিলে গুৱাহাটী বিশ্ববিদ্যালয় কর্তৃপক্ষই। যতনৰ অভাৱত জৰাজীৰ্ণ তথা অনাদৃত হৈ থকা শ্বহীদ বেদীক লৈ শ্বহীদ দিৱসৰ দিনটোত চিন্তা জাহিৰ কৰিছে সচেতন মহলে। শ্বহীদ দিৱসৰ দিনটোতে শ্বহীদ বেদীটোক গুৰুত্ব দিবলৈ আহ্বান জনাবলৈ বাধ্য হ'ল সদৌ অসম ছাত্ৰ সন্থা। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ননীগোপাল মহন্তক সাক্ষাৎ কৰে ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে। আছুৰ প্ৰতিনিধি দলটোৱে উপাচাৰ্য ননীগোপাল মহন্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰি শীঘ্ৰে শ্বহীদ বেদীটো মেৰামতি কৰিবলৈ দাবী জনাইছে। গুৱাহাটী বিশ্ববিদ্যালয় আছু গোট আৰু বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আছু গোটে কয় যে চলিত বৰ্ষৰ ২৭ মে'ত প্ৰচণ্ড ধুমুহাত গুৱাহাটী বিশ্ববিদ্যালয়স্থিত অসম আন্দোলনৰ স্মৃতি বিজড়িত ঐতিহ্যমণ্ডিত শ্বহীদ বেদীৰ বিস্তৰ ক্ষতিসাধন হৈছিল। শ্বহীদ বেদী পুনঃনিৰ্মাণ কৰা নহ'ল। আছুৱে কেইবাবাৰো কৰ্তৃপক্ষক স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে আলোচনাত মিলিত হও। কিন্তু অতি দুখৰ বিষয় যে, আজি পৰ্যন্ত উক্ত শ্বহীদ বেদী পুনঃনিৰ্মাণৰ ক্ষেত্ৰত কোনোধৰণৰ কাম কৰা নহ'ল। শ্বহীদ বেদীটো পুনঃনিৰ্মাণৰ বাবে অনুমতি তথা প্ৰয়োজনীয় আৱণ্টিত ধনৰাশি বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ কৰ্তৃপক্ষই প্ৰদান কৰিছে যদিও কোষাধ্যক্ষৰ কাৰ্যালয়ৰ পৰা অনুমোদন লাভ নকৰাৰ বাবে পুনঃনিৰ্মাণৰ কাৰ্য সম্পন্ন কৰিব পৰা হৈ উঠা নাই। আজি শ্বহীদ দিৱসৰ পবিত্ৰ দিনটোত দুয়োটা আছু গোটে শ্বহীদ বেদী পূৰ্বৰ আৰ্হিতে পুনঃনিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপাচাৰ্যক স্মাৰক পত্ৰ প্ৰদান কৰে আছুৱে। শীঘ্ৰে শ্বহীদ বেদী পুনঃ নিৰ্মাণকাৰ্য সম্পন্ন কৰিবলৈ অনুৰোধ জনাইছে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে।

# এন আৰ এল প্ৰগতি দ্বাৰত বি এম এছৰ শ্ৰমিক সম্পৰ্ক অভিযান

**ই-সংবাদ, নুমলীগড়, ১০ ডিচেম্বৰঃ** ৰাষ্ট্ৰ হিত, উদ্যোগ হিত, শ্ৰমিক হিত- এই মূল মন্ত্ৰ লৈ বিগত ৬৯ টা বৰ্ষ অতিক্ৰম কৰি ৭০ সংখ্যক বৰ্ষপূৰ্তি সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ দিশে আগবঢ়া ভাৰতীয় মজদুৰ সংঘৰ অসম প্ৰদেশে শ্ৰমিক সম্পৰ্ক অভিযান আৰম্ভ কৰে। এই উপলক্ষে নুমলীগড়ৰ তেল শোধনাগাৰত কৰ্মৰত শ্ৰমিকসকলৰ প্ৰতি থকা দায়িত্ববোধ আৰু আশ্বাস-বিশ্বাস সন্দৰ্ভত নুমলীগড় তেল শোধনাগাৰ প্ৰগতি দ্বাৰত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থাকে নুমলীগড় ৰিফানেৰী কনটেকছুৱেল ৱাকাৰ ইউনিয়ন সমিতিৰ সম্পাদক পীতাম্বৰ বৰাৰ লগতে নুমলীগড় ৰিফানেৰী কনটেকছুৱেল ৱাকাৰ ইউনিয়ন মুখ্য উপদেষ্টা সুৰেন হাজৰিকা, সভাপতি, সদস্যসকলৰ লগতে ভাৰতীয় মজদুৰ সংঘক গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক ডেবিদ ঠেঙাল, মুকেশ জাল আৰু কেইবাগৰাকীও শ্ৰমিক নেতা। নুমলীগড় শোধনাগাৰে শ্ৰমিকসকলক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিব যাতে নোৱাৰে তাৰ বাবে ঐক্যবদ্ধ হৈ শ্ৰমিকসকলে বন্ধুত্বৰ এনাজৰীৰে সদায় বান্ধ খাই থাকিব লাগে বুলি কয় পীতাম্বৰ বৰাই। তেওঁ লগতে কাম কৰাৰ ক্ষেত্ৰত মিছা আশ্ৰয় নলৈ কৰণীয়খিনি কৰি শ্ৰমৰ বিনিময়ত পাবলগীয়া প্ৰাপ্য বাবে মাত মাতি যাব পৰাকৈ ৰাস্তা ৰাখি শ্ৰমিকসকলক যিকোনো শ্ৰমিক সংগঠনৰ লগত যোগাযোগ কৰি আগুৱাই যাবলৈ আহ্বান জনায়।

# গৌৰীসাগৰৰ ৰিহেব চেন্টাৰত নিশা যুৱকৰ মৃত্যু

**ই-সংবাদ, শিৱসাগৰ, ১০ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ ৰিহেব চেন্টাৰত নিশা সংঘটিত হয় এক অঘটন। অ'ভাৰ কম ফাউণ্ডেচন নামৰ ৰিহেব চেন্টাৰটোত এজন ২৫ বছৰীয়া যুৱকৰ মৃত্যুৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। মৃত্যু হোৱা যুৱকজনৰ নাম পলাশ চেতিয়া বুলি জানিব পৰা গৈছে। পলাশ চেতিয়াৰ ঘৰ শিৱসাগৰ বেতবাৰীত। যুৱকজনক স্থানীয় প্ৰগতি হাস্পতাললৈ লৈ যোৱা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। অৱশ্যে এই বাতৰি যুগুতোৱা পৰ্যন্ত যুৱকজনৰ মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

# নলবাৰী মহাবিদ্যালয়ত ভাষাৰ ওজাৰ জন্মদিন পালন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১০ ডিচেম্বৰঃ** ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ১৮৯ সংখ্যক জন্ম দিৱসটো ইলোৰা বিজ্ঞান মঞ্চ নলবাৰী আৰু নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত মহাবিদ্যালয়ৰ ডিজিটেল হ'লত যথাযোগ্য মৰ্যাদাৰে আজি উদযাপন কৰা হয়। এই উদ্দেশ্যে প্ৰথমে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাংবাদিক সবিতা লহকৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল নয়ন পাটোৱাৰীয়ে আলোচনা সভাখনি উদ্বোধন কৰি কয় যে অন্ধবিশ্বাস, কুসংস্কাৰ বিৰোধী আৰু বৈজ্ঞানিক মানসিকতা সৃষ্টিৰ ক্ষেত্ৰত নলবাৰী মহাবিদ্যালয় আৰু ইলোৰা বিজ্ঞান মঞ্চই যৌথভাৱে বিভিন্ন কাৰ্যসূচী চলাই আহিছে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰধান অধ্যাপিকা বন্দিতা দাসে আলোচনা সভাখনি সঞ্চালনা কৰে। সভাত বিশিষ্ট সাংবাদিক সবিতা লহকৰে মুখ্য বক্তা হিচাপে বক্তব্য ৰাখে। তেওঁ কয় যে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই ১৯ শতিকাতে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু অপসংস্কৃতিৰ বিৰুদ্ধে মাত মাতি আহিছিল। কোনো আনুষ্ঠানিক শিক্ষা অবিহনে নিজ চেষ্টাৰ দ্বাৰা প্ৰথম অসমীয়া অভিধান 'হেমকোষ' প্ৰণয়ন কৰিছিল। তেওঁ সেই সময়ত প্ৰচলিত বিভিন্ন সামাজিক কুসংস্কাৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মাতি আহিছিল। হেম বৰুৱাই কম বয়সতে পত্নীক হেৰুৱাবলগীয়া হোৱাত পৰিয়ালৰ লোকে তেওঁক দ্বিতীয় বিবাহৰ বাবে জোৰ কৰাত তেওঁ কৈছিল যে যদি তেওঁৰ মৃত্যু হ'লহেঁতেন তেওঁৰ বিধবা পত্নীক দ্বিতীয় বিবাহৰ কথা ক'লেহেঁতেননে? তেও মানুহৰ মৃত্যুৰ পিছত দাহ সংস্কাৰ, প্ৰেতকৰ্ম আদিতো বিশ্বাস কৰা নাছিল। সেই বাবে তেওঁ কৈ গৈছিল যে মৃত্যুৰ পিছত তেওঁৰ দেহটো যেন দাহন নকৰি জীৱ-জন্তুৰ খাদ্যৰ বাবে জংগলত ৰাখি আহে। কন্যা সন্তান বা নাৰীসকলৰ সমস্যাৰ ক্ষেত্ৰতো তেওঁ সেই সময়তে প্ৰতিবাদী কণ্ঠ হৈ থিয় দিছিল। সভাত ইলোৰা বিজ্ঞান মঞ্চৰ জিলা সভাপতি ড০ ফণীধৰ তালুকদাৰ আৰু কবি, সাংবাদিক মুকুল কলিতাইও বক্তা হিচাপে ভাষণ দাঙি ধৰে। সভাত আনন্দ নিকেতনৰ ৮ম শ্ৰেণীৰ ছাত্ৰ নিবিড় গোস্বামী আৰু অৱসৰপ্ৰাপ্ত শিক্ষক অনিল ভট্টাচাৰ্যৰ ভাষণেও সকলোৰে অন্তৰ চুই যায়। অনুষ্ঠানৰ শেষত আনন্দ পুৰমৰ মাতাজী ৰীতা বৰুৱাই শলাগৰ শৰাই আগবঢ়াই সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## অসম আন্দোলনৰ তথ্যকোষৰ ষষ্ঠ খণ্ড উন্মোচন মন্ত্ৰী অতুল বৰাৰ

# পশ্চিম বৰাগাঁৱত শ্বহীদ দিৱস পালন

**ই-সংবাদ, ১০ ডিচেম্বৰঃ** ১৯৭৯ চনৰ আজিৰ দিনটোত ছয়বছৰীয়া অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰে অসম মাতৃৰ হকে প্ৰাণ বিসৰ্জন দিছিল। যাৰ বাবে ১০ ডিচেম্বৰৰ দিনটোত জাতীয় শ্বহীদ দিৱস পালন কৰা হয়। অইন বছৰৰ দৰে এইবেলিও অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰে বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনে। আজি অসম চৰকাৰ তথা অসম চুক্তি ৰূপায়ন বিভাগৰ উদ্যোগত গুৱাহাটীত জাতীয় শ্বহীদ দিৱস পালন কৰা হয়। অসম চৰকাৰৰ উদ্যোগত ছয়বছৰীয়া অসম আন্দোলনৰ শ্বহীদসকলৰ ত্যাগ, বলিদানক স্মৰণ কৰি শ্বহীদ দিৱস পালন কৰা হয়। গুৱাহাটী মহানগৰীৰ পশ্চিম বৰগাঁৱত নিৰ্মীয়মাণ শ্বহীদ স্মাৰকস্থলীত কেন্দ্ৰীয়ভাৱে পালন কৰা শ্বহীদ দিৱসত অসম চুক্তি ৰূপায়ন মন্ত্ৰী ক্ৰমে অতুল বৰা উপস্থিত থাকে। শ্বহীদসকলক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰি উপস্থিত সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আন্দোলনৰ নিৰ্যাতিত আৰু শ্বহীদ পৰিয়ালৰ সদস্যক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। একেটা অনুষ্ঠানত অসম আন্দোলনৰ তথ্যকোষৰ ষষ্ঠ খণ্ড উন্মোচন কৰে মন্ত্ৰী অতুল বৰাই। মন্ত্ৰী অতুল বৰাই পশ্চিম বৰগাঁৱত নিৰ্মাণৰত শ্বহীদ প্ৰকল্পৰ কাম ক্ষিপ্ৰ গতিৰে চলি থকা বুলি উল্লেখ কৰি কয় যে ১০ ডিচেম্বৰৰ দিনটো আমাৰ বাবে




স্মৰণীয় দিন। প্ৰকল্পস্থলীতে শ্বহীদ দিৱস পালন কৰা হয়। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্যখনত বিদেশী নাগৰিক বহিষ্কাৰৰ বাবে যি আন্দোলন হৈছিল সেই আন্দোলত খৰ্গেশ্বৰ তালুকদাৰ প্ৰথম শ্বহীদ হৈছিল। ইজনৰ পিছত সিজন কৰি ৮৬০ জন অসমীয়া ডেকা শ্বহীদ হয়। অতুল বৰাই আৰু কয় যে এই বছৰতে স্মাৰক মুকলি কৰাৰ কথা ভবা হৈছিল। মুখ্যমন্ত্ৰীয়ে প্ৰত্যক্ষ কৰি কাম খুব ভালদৰে সমাপন হৈছে বুলি কৈছে। অডিটৰিয়াম, আৱাস, চাইকেল ট্ৰেকৰ কাম আৰম্ভ কৰিম। আজি প্ৰায় ৫৬ টা শ্বহীদৰ পৰিয়াল ইয়াত উপস্থিত আছিল। ঐতিহাসিক অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত এই স্থানতে নিৰ্মীয়মান শ্বহীদ স্মাৰক আৰু শ্বহীদ স্মাৰক উদ্যান পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ শেহতীয়া অগ্ৰগতিৰ বুজ লয় বৰাই। শ্বহীদ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী কোটা উপস্থিত থাকে।

# লাহোৱাল প্ৰেছ ক্লাবৰ ২২ সংখ্যক প্ৰতিষ্ঠা দিৱস সম্পন্ন, দুগৰাকীকৈ জ্যেষ্ঠ সাংবাদিকক বঁটা প্ৰদান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১০ ডিচেম্বৰঃ** বিগত বৰ্ষৰ দৰে এইবাৰো ডিব্ৰুগড়ৰ বৃহত্তৰ লাহোৱাল অঞ্চলৰ একমাত্ৰ সংবাদসেৱী প্ৰতিষ্ঠান লাহোৱাল প্ৰেছ ক্লাবৰ ২২ সংখ্যক প্ৰতিষ্ঠা দিৱসটি বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। লাহোৱালৰ নতুন বচাপথাৰ যুৱক সংঘৰ প্ৰাঙ্গণত অনুষ্ঠিত কাৰ্যসূচীৰ আৰম্ভণিতে সভাপতি হোমেন ফুকনে ক্লাবৰ মুখ্য পতাকা উত্তোলন কৰাৰ লগে লগে সাংবাদিকসকল ক্ৰমে ভূষণজ্যোতি সন্দিকৈ, কনৌজ শইকীয়া, যাদৱ গগৈ, পাণ্ডুৰাজ কৌশিক, মুক্তামণি হাজৰিকা, বিজন্ত গগৈ, দ্বীপজয় শইকীয়া, ধৰণী গগৈ, ৰশ্মিৰেখা চাউদ কলিতা, প্ৰাঞ্জল গগৈ, ধনটি শইকীয়া, তপন কুমাৰ শইকীয়া, ৰাজু সোণোৱাল, বিশ্বজিৎ ফুকন, ৰাজীৱ সিং, বাপন পালৰ লগতে ডিব্ৰুগড় পৌৰ নিগমৰ ডেপুটি মেয়ৰ উজ্জ্বল ফুকন, সমাজকৰ্মী অজয় গগৈ, নৃপেন দত্ত, বেণু মাঝি, চিও কুমাৰ চাহু প্ৰমুখ্যে আমন্ত্ৰিত অতিথিবৃন্দই মুঠ ২২খন পতাকা উত্তোলন কৰে। লাহোৱাল প্ৰেছ ক্লাবৰ সম্পাদক দিবাকৰ দত্তই স্মৃতি তৰ্পণ কৰাৰ পাছতেই বৃক্ষ ৰোপণ কৰে লাহোৱাল প্ৰেছ ক্লাবৰ উপদেষ্টা ক্ৰমে ভূষণজ্যোতি সন্দিকৈ আৰু কনৌজ শইকীয়াই। পুৱা দহ বজাত প্ৰেছ ক্লাবৰ উপদেষ্টা মুক্তামণি হাজৰিকাই উদ্বোধন কৰা চিত্ৰাঙ্কণ প্ৰতিযোগিতাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সমান্তৰালভাৱে চলি থাকে অভিজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া চিকিৎসা শিবিৰ। স্থানীয় বহুলোকে এই চিকিৎসা সেৱা গ্ৰহণ কৰি উপকৃত হয় বুলি মন্তব্য প্ৰকাশ কৰে। বিয়লি এক বজাৰ পৰা অনুষ্ঠিত হোৱা আড়ম্বৰপূৰ্ণ মুকলি সভাত পৌৰহিত্য কৰে প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকনে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দিবাকৰ দত্তই। সভাত লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জ্যোতিপ্ৰসাদ দত্তৰ লগতে ডিব্ৰুগড়ৰ আমন্ত্ৰিত জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰগোহাঞি, সদৌ অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ইকবাল আহমেদ, বৰবৰুৱা প্ৰেছ ক্লাবৰ সভাপতি মনোৰঞ্জন হাজৰিকা, অসম আদিত্য কাকতৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰা আদিয়ে সংবাদ জগত আৰু সাংবাদিকতাৰ বিষয়ে বহু মূল্যৱান বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত বিশেষ জুৰী ব'ৰ্ডৰ নিৰ্বাচন অনুসৰি ডিব্ৰুগড়ৰ দুগৰাকী জ্যেষ্ঠ সাংবাদিকক বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে বৈষ্ণৱ পণ্ডিত ভৱকান্ত কোঁৱৰ সোঁৱৰণী বঁটা প্ৰদান কৰা হয় আমাৰ অসম কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাক আৰু সাংবাদিক উমাকান্ত চাংমাই সোঁৱৰণী গ্ৰাম্য সাংবাদিকতা বঁটা প্ৰদান কৰা হয় দুলীয়াজানৰ প্ৰাগ নিউজৰ জ্যেষ্ঠ সাংবাদিক ব্ৰজেন গগৈক। বঁটাৰ অংশ হিচাপে সম্বৰ্ধনা পত্ৰৰ লগতে গামোছা, চেলেং, পিতলৰ জাপি, এখন সফুৰা, একোটা স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু নগদ ধন আগবঢ়োৱা হয়। ইয়াৰোপৰি লাহোৱাল প্ৰেছ ক্লাবৰ আটকধুনীয়া মুখপত্ৰ 'লুইত' উন্মোচিত কৰে লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জ্যোতিপ্ৰসাদ দত্তই। উল্লেখ্য যে, আমন্ত্ৰিত অতিথি হিচাপে বিভিন্ন দল-সংগঠনৰ কেইবাগৰাকী বিষয়ববীয়া, বহুসংখ্যক জ্যেষ্ঠ সাংবাদিক, সমাজসেৱক তথা নতুন বচাপথাৰৰ ৰাইজ উপস্থিত থকা উক্ত সভাতে চিত্ৰাংকন প্ৰতিযোগিতাত স্থান প্ৰাপ্তসকলকো পুৰস্কাৰ প্ৰদান কৰা হয়।

## আঁকোৰগোজ আমছু
# ১২ ডিচেম্বৰত বেছিমাৰীত চলিব উচ্ছেদ অভিযান

**ই-সংবাদ, দলগাঁও, ১০ ডিচেম্বৰঃ** দৰং জিলাৰ গ্ৰাম্য পথৰ ভিতৰত আটাইতকৈ ব্যস্ত গড়কাপ্তানী পথ বেছিমাৰী-দৈপাম সংযোগী পথৰ মাটি বেদখল কৰি গঢ়ি তোলা ব্যৱসায়িক প্ৰতিষ্ঠানত চলিব প্ৰশাসনৰ হাতোৰা। পথ বহলকৰণৰ বাবে জনোৰা দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই প্ৰশাসনে অহা ১২ ডিচেম্বৰত উচ্ছেদ চলোৱা হ'ব বুলি জাননী জাৰি কৰিছে। মনকৰিবলগীয়া যে, বেছিমাৰী-দৈপাম সংযোগী পথটোৰ বহলকৰণৰ কাম চলি থকাৰ সুযোগ লৈ বেছিমাৰী বজাৰ এলেকাৰ এক বৃহৎ অংশ (পথৰ দুয়োকাষে) উচ্ছেদ চলাবলৈ প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ইতিপূৰ্বে, ৮৮ জনকৈ ব্যৱসায়ীক তেওঁলোকৰ অধীকৃত নিৰ্মাণ আৰু সা-সামগ্ৰী আঁতৰাই নিবলৈ জাননী জাৰি কৰাৰ পিছত একাংশ দোকানীয়ে কেৱলমাত্ৰ বাৰান্দাখন আঁতৰোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমছুকে ধৰি একাধিক দল-সংগঠনে পৰ্যাপ্ত ঠাই (জোখমাখ কৰা মতে) এৰি দিবলৈ জনোৰা দাবীৰ বিপৰীতে কেৱল বাৰান্দা আঁতৰোৱাত আঁকোৰগোজ আমছুৱে আজি জিলা আয়ুক্তক লিখিত অভিযোগ দাখিল কৰে। প্ৰশাসনক ধনবলেৰে মেনেজ কৰিবলৈ এটা চক্ৰই ধন সংগ্ৰহ কৰাত লাগি থকা বুলিও জিলা আয়ুক্তক আমছুৱে অভিযোগ দি উক্ত কাৰ্যত জড়িত থকা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰো দাবী জনাইছে। জোখ-মাখ মতে উচ্ছেদ নহ'লে যান-জঁটৰ সমস্যা থাকিবই আৰু এনে হ'লে জিলা প্ৰশাসনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিব বুলিও অভিযোগ পত্ৰযোগে আমছু নেতৃত্বই সকিয়নী প্ৰদান কৰিছে। বেছিমাৰীৰ উচ্ছেদক লৈ বিভিন্নজনে বিভিন্ন ধাৰণা আৰু মতামত প্ৰকাশৰ বিপৰীতে খালী কৰা ঠাই পৰ্যাপ্ত হৈছে বুলি জাননী লাভ কৰা দোকানীসকলে মত পোষণ কৰিছে। সংবাদ মাধ্যমৰ আগত তেওঁলোকে কয় যে ৰাষ্ট্ৰীয় ঘাইপথতকৈয়ো বেছি ঠাই বেছিমাৰী-দৈপাম সংযোগী পথৰ দুয়োকাষে এৰি দিয়া হৈছে। বৰ্তমান পথটো বহলে ৫০ ফুটতকৈ অধিক, আৰু কিমান ঠাই লাগিব বুলিও প্ৰশ্ন উঠিছে। প্ৰশ্ন হৈছে- বেছিমাৰীত উচ্ছেদক লৈ ৰাজনীতি হৈছে নেকি? অভিযোগ কৰা ধৰণেই ধন সংগ্ৰহ কৰা হৈছে নেকি? কোনে সংগ্ৰহ কৰিছে ধন? সংগ্ৰহ কৰা ধন কাৰ পকেটত সোমাব ইত্যাদি ইত্যাদি প্ৰশ্নই এতিয়া বেছিমাৰীৰ সৰ্বসাধাৰণ লোকৰ মুখে মুখে চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে।

## পথ নিৰ্মাণৰ নামত ধ্বংস কৰিলে জলজীৱন আঁচনিৰ নল
# খনামুখত লোক নিৰ্মাণ বিভাগৰ ঠিকাদাৰৰ দৌৰাত্ম্য, খোৱাপানী নাই ৰাইজৰ

**ই-সংবাদ, মৰিয়নি, ১০ ডিচেম্বৰঃ** যোৰহাট জিলাৰ সীমামুৰীয়া খনামুখ অঞ্চলত লোক নিৰ্মাণ বিভাগৰ বৰমুৰীয়া আৰু ঠিকাদাৰৰ দৌৰাত্ম্যৰ বাবেই এতিয়া বৃহত্তৰ অঞ্চলটোৰ শতাধিক পৰিয়ালে বিগত এমাহৰো অধিক কাল বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। উল্লেখ্য যে, ভগামুখৰ পৰা ঐতিহাসিক চিন্তামণিগড়লৈকে ললিত চন্দ্ৰ ৰাজখোৱা পথটো সম্প্ৰতি লোক নিৰ্মাণ বিভাগে বহলীকৰণ কৰি পুণৰ নিৰ্মাণ কৰাৰ কাম আৰম্ভ কৰিছে। কিন্তু লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু সংশ্লিষ্ট ঠিকাদাৰে পথছোৱা বহল কৰি পুনৰ নিৰ্মাণৰ কাম কৰাৰ নামত অবিবেচক আৰু অদূৰদৰ্শিতাৰে পথৰ কাষৰ পানী যোগানৰ পাইপসমূহ ভাঙি টুকুৰা-টুকুৰ কৰি পেলোৱাত বৃহত্তৰ খনামুখ অঞ্চলৰ বহুকেইখন গাঁৱৰ শতাধিক পৰিয়ালে বিগত এমাহৰো অধিক কাল খোৱা পানীৰ পৰা বঞ্চিত হ'ব লগা হৈছে। আনহাতে, পথছোৱাৰ কাষত থকা পানীৰ পইপসমূহ ভগাৰ ফলত ঠায়ে ঠায়ে পথছোৱা জলমগ্ন হৈ পৰাৰ লগতে পথৰ কাষৰ কেইবাটাও পৰিয়ালৰ চোতাল পানীৰে উপচি পৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, খনামুখ পানী যোগান আঁচনি আৰু চাৰিঙীয়া পানী যোগান আঁচনি দুখনৰ পানী যোগান পাইপসমূহ এনেদৰে পথ নিৰ্মাণৰ নামত কাটি-চিঙি পেলোৱা হৈছে। সংশ্লিষ্ট পানী যোগান আঁচনি কৰ্তৃপক্ষই স্থানীয়ভাৱে ভগ্ন পাইপসমূহ মেৰামতি কৰাৰ চেষ্টা কৰিছে যদিও ব্যৰ্থ হৈছে। ইয়াৰ বিপৰীতে জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু লোক নিৰ্মাণ বিভাগে পানীযোগান পাইপসমূহ পুনৰ স্থাপন কৰাৰ ক্ষেত্ৰত পৰস্পৰে পৰস্পৰৰ গালৈ দায়িত্ব ঠেলাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। কাজেই এতিয়া দুয়োটা বিভাগৰ যুঁজত সমস্যাৰ সন্মুখীন আঁচনিৰ উপভোক্তা ৰাইজ।



বিজুলী ভৰনত শক্তিমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিলে প্ৰশান্ত ফুকনে, ফটো ১০ডিচেম্বৰ ২০২৪ৰ

# মায়ঙত বনভোজ খাবলৈ গৈ অথন্তৰ

**ই-সংবাদ, মৰিগাঁও, ১০ ডিচেম্বৰঃ** সমাগত নতুন বছৰৰ প্ৰাকক্ষণত মৰিগাঁও জিলাৰ বৃহত্তৰ মায়ঙৰ বিভিন্ন প্ৰান্তত থকা প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঠাইসমূহত এতিয়া বনভোজ খাবলৈ যোৱা দলবোৰৰ ব্যাপক ভিৰ আৰু উখল-মাখল পৰিৱেশ পৰিলক্ষিত হৈছে। বিগত কেইবছৰমানৰ পৰা মায়ঙৰ সমীপৱৰ্তী চনকা নামৰ ঠাইখনে পৰ্যটকক বিশেষভাৱে আকৰ্ষণ কৰাৰ লগতে বনভোজ প্ৰেমীসকলৰ বাবেও আকৰ্ষণীয় হৈ পৰিছে। মায়ঙৰ ধেনুভেৰিয়া পাহাৰৰ নামনি আৰু লুইতৰ বালিচৰে ইয়াৰ নৈসৰ্গিকতাক অনন্য ৰূপ দিছে। প্ৰাকৃতিক সৌন্দৰ্যই মন পুলকিত কৰা এই চনকাতে আজি সংঘটিত হ'ল এক অথন্তৰ। দুপৰীয়াৰ ভাগত দুটা প্ৰকাণ্ড শিলৰ মাজত এখন বাছ লাগি ধৰাত কিছু সময়ৰ বাবে আবদ্ধ হৈ পৰে বনভোজ খাবলৈ যোৱা এটা দল। মায়ঙৰ ঔগুৰিৰ পৰা একাবেঁকা পথেৰে পাহাৰৰ মাজেৰে চনকালৈ যোৱাৰ পৰত বাছখন ঐতিহ্যমণ্ডিত কানাই বৰশী বোৱা শিলটোৰ মাজত লাগি ধৰে। অৱশ্যে কিছু সময়ৰ পিছত বনভোজ খাবলৈ যোৱা দলটোৰ প্ৰচেষ্টাত বাছখন শিলটোৰ মাজৰ পৰা কোনোমতে পাৰ কৰাবলৈ সক্ষম হয়। এই ঘটনাত কোনো লোক হতাহত হোৱা নাই যদিও অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনস্থ বাহনখন কিছু পৰিমাণে ক্ষতিগ্ৰস্ত হোৱা বুলি জানিব পৰা গৈছে।

# লাহৰীঘাটত ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ১০ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰখাৰ সময়তে পুনৰ লাহৰীঘাটত আৰক্ষীৰ জালত পৰে এটা ড্ৰাগছ সৰবৰাহকাৰী। আজি সন্ধিয়াৰ পাছত গোপন সূত্ৰৰ খবৰৰ ভিত্তিত মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় ড্ৰাগছ সৰবৰাহকাৰীটোক। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত অমৰাগুৰিত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে ড্ৰাগছ সৰবৰাহকাৰীটোক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো অমৰাগুৰি গাঁৱৰ আনছাৰী আলম বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা ড্ৰাগছ ভৰ্তি ৪৪ টা কন্টেইনাৰৰ লগতে ৭৪ টা খালি কন্টেইনাৰ আৰু এটা ম'বাইল জব্দ কৰে। উল্লেখ্য যে, ধৃত ড্ৰাগছ সৰবৰাহকাৰী আনছাৰী আলমৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি অবৈধ ড্ৰাগছৰ ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। বৰ্তমান লাহৰীঘাট আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা অধিক তথ্য সংগ্ৰহৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে।

# বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তাজ উদ্দিনৰ দেহাৱসান



**ই-সংবাদ, বেবেজীয়া, ১০ ডিচেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ টুকটুকী নিবাসী বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তাজ উদ্দিনৰ সোমবাৰে নিশা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। নিজৰ কৰ্মৰাজিৰ জৰিয়তে বৃহত্তৰ টুকটুকী অঞ্চলত 'তাজ উদ্দিন ছাৰ' বুলি সবাৰে শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰা এইগৰাকী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকে নিজৰ কৰ্মৰত শিক্ষানুষ্ঠানৰ লগতে স্থানীয় অঞ্চলত সুস্থিৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাই আহিছিল। তেওঁ বৃহত্তৰ টুকটুকী অঞ্চলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি সমাজৰ উন্নতিৰ হকে নিঃস্বাৰ্থভাৱে সমাজসেৱাত নিজকে নিয়োজিত কৰি ৰাখিছিল। সৎ, অমায়িক আৰু সৰল মনৰ বহু গুণধাৰী তাজ উদ্দিনৰ মৃত্যুত বৃহত্তৰ টুকটুকী অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত টুকটুকী প্ৰেছ ক্লাব, আমছুৰ টুকটুকী আঞ্চলিক সমিতি, জমিয়ত উলেমা হিন্দৰ টুকটুকী আঞ্চলিক সমিতিকে আদি কৰি বিভিন্ন দল-সংগঠনৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, চাৰিগৰাকী কন্যা সন্তানসহ বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। ইফালে, মঙলবাৰে দিনৰ ১.৩০ বজাত কটহগুৰি টুকটুকী দাৰুল উলুম মাদ্ৰাছাৰ প্ৰাংগণত মৌলানা ফকৰ উদ্দিনৰ ইমামতিত তেওঁৰ জানাজাৰ নামাজ সম্পন্ন কৰা হয়।




জামুগুৰিহাটৰ ঐতিহাসিক পকামুৰা পথাৰত আয়োজিত শ্বহীদ দিৱসত মুখ্যমন্ত্ৰী আৰু সতীৰ্থ বিধায়কসকল

## সকলো কৃষকক ভূমিৰ অধিকাৰৰ গেৰাণ্টি প্ৰদানৰো দাবী

# বণিয়াৰ স্বাৰ্থবাহী বসুন্ধৰা ৩.০ বাতিলৰ দাবী গ্ৰামীণ শ্ৰমিক সন্থাৰ

**ই-সংবাদ, বেবেজীয়া, ১০ ডিচেম্বৰঃ** ৰাজ্যৰ ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে অসমৰ দুখীয়া ৰাইজক ভূমি প্ৰদানৰ নামত 'মোৰ মাটি, মোৰ অধিকাৰ' শ্লʼগানেৰে বসুন্ধৰা আঁচনি ৰূপায়ণ কৰাটো দৰাচলতে এক ভেঁকো-ভাওনাহে। এই অভিযোগ সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ। সন্থাৰ সভাপতি শুভ্ৰজ্যোতি বৰ্ধন আৰু সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিৰ জৰিয়তে কয় যে আমাৰ সকলোৰে মনত ভালকৈ আছে যে বসুন্ধৰা ২.০ আঁচনিত ভূমিৰ ওপৰত দুখীয়া ভূমিহীন ৰাইজে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ ১৩,৩৯,৬০১ গৰাকীয়ে আবেদন কৰিছিল আৰু ৭৫ শতাংশ আবেদনকাৰীৰ আবেদন নাকচ হৈছিল। চাহ বাগিচাৰ পৰা অধিগ্ৰহণ কৰা চিলিং উদ্বৃত্ত মাটিত যুগ যুগ ধৰি বাস কৰা ভূমিহীন চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিকসকলৰ লগতে আদিবাসী ৰাইজৰ আবেদনো ভিত্তিহীন আৰু মিছা যুক্তি দৰ্শাই খাৰিজ কৰা হৈছিল। আনকি দৰিদ্ৰ ৰায়তী কৃষকসকলৰো আবেদন নাকচ কৰা হৈছিল। কিন্তু ৰামদেৱ, আদানী আৰু মুখ্যমন্ত্ৰীৰ পত্নীয়ে ভূমি পোৱাৰ ক্ষেত্ৰতহে কোনো অসুবিধা হোৱা নাই। আনকি বহুতো নক্সা নথকা ৰাজহ গাঁৱৰ জৰীপ নোহোৱা মাটিৰ জৰীপ নোহোৱাৰ ফলস্বৰূপে হাজাৰ হাজাৰ পৰিয়ালে আবেদন কৰাৰ পৰাই বঞ্চিত হৈছে। খিলঞ্জীয়াৰ চৰকাৰ বুলি নিজকে দাবী কৰা হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ডিমা হাছাওৰ প্ৰায় ৯০০০ বিঘা মাটি কৰ্পʼৰেটক গতাই দিছে আৰু সেই মাটিৰ দখল লʼবলৈ যাঁওতে বিজেপি নেতৃত্বাধীন ডিমা হাছাও স্বায়ত্তশাসিত জিলা পৰিষদৰ সদস্যই বন্দুক প্ৰদৰ্শন কৰি দুখীয়া জনজাতি কৃষকক ভাবুকি প্ৰদৰ্শন কৰিছিল। গুৱাহাটীতো খিলঞ্জীয়া ৰাইজে ভূমিৰ অধিকাৰ সাৰ্বস্ত কৰিবলৈ বাটত নামিব লগীয়া হৈছে। গ্ৰামীণ শ্ৰমিক সন্থা গুৱাহাটীৰ ভূমি বঞ্চিত সেই ৰাইজৰ আন্দোলনৰ পক্ষত আছে বুলি বুলি উল্লেখ কৰি শ্ৰমিক নেতাদ্বয়ে ভূমি অধিকাৰ প্ৰদানৰ নামত গুৱাহাটীৰ পাহাৰৰ তথা অসমৰ ৰাইজৰ লগত কৰা প্ৰতাৰণাৰ বিৰুদ্ধে অসমব্যাপী ভূমি অধিকাৰৰ দাবীত আন্দোলনৰত বিভিন্ন সংগঠনৰ মাজত এক সমন্বয় গঢ়ি তোলাটো সময়ৰ দাবী বুলি কয়। বিবৃতিটোৰ জৰিয়তে নেতাদ্বয়ে দুখীয়া ভূমিহীন ৰাইজ বিৰোধী আৰু বৃহৎ বণিয়াৰ স্বাৰ্থবাহী বসুন্ধৰা ৩.০ আঁচনি তৎকালে বাতিলৰ দাবী জনোৱাৰ লগতে 'যি ভূমিত আমি বাস কৰো সেই ভূমি আমাৰ তথা যি ভূমি চৰকাৰী সেই ভূমি আমাৰ' নীতিৰ আধাৰত চৰকাৰক ভূমি জৰীপ চলাই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো দুখীয়া, ভূমিহীন ৰাইজক ভূমিৰ অধিকাৰ প্ৰদান কৰি সৰ্বাংগীন আৰু সামগ্ৰিক ভূমি নীতি প্ৰণয়ন কৰিব লাগে বুলিও দাবী উত্থাপন কৰিছে।

# মৈৰাবাৰীত 'বাটৰ কবিতা'ৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, মৈৰাবাৰী, ১০ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীত কবিতাক জনমুখী কৰি তোলাৰ লক্ষ্যৰে ২০১৫ চনত গঢ় লৈ উঠা 'বাটৰ কবিতা' নামৰ অনুষ্ঠানটিয়ে এইবেলি দশম বৰ্ষত উপনীত হৈছে। খাই প্ৰকাশনৰ উদ্যোগত আৰু বাটৰ কবিসকলৰ সহযোগত সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা'ৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠানটি আজি মৈৰাবাৰী কলেজ ৰোডত থকা খাই প্ৰকাশন কাৰ্যালয়ৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথিৰূপে মৈৰাবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ক্ৰমে ডঃ অংশুমান দাস, জাহানাৰ বেগম, একেখন বিদ্যালয়ৰে অধ্যাপক ক্ৰমে বাহাৰুল ইছলাম, ডঃ আব্দুল মন্নান, মইনুল ইছলাম, ভাৰত চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া নুৰুল আমিন, অৱসৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ৰফিকুল ইছলাম, অৱসৰপ্ৰাপ্ত শিক্ষক, কবি আবু হানিফউদ্দিন, অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল ইছলামকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে খাই প্ৰকাশনৰ স্বত্বাধিকাৰী তথা বাটৰ কবিতাৰ সমন্বয়ক খাইৰুল ইছলাম আৰু জেহিৰুল ইছলামে। অনুষ্ঠানৰ আৰম্ভণিতে 'বাটৰ কবিতা' অনুষ্ঠাটিৰ গুৰি ধৰোঁতা প্ৰয়াত চাৰি গৰাকী বিশিষ্ট কবি-সাহিত্যিকৰ সোঁৱৰণত এটি স্মৃতিচাৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীটোৰ আঁত ধৰে যুটীয়া সমন্বয়ক মুহাম্মাদ আফজালে। ইয়াৰ পাছতে আমন্ত্ৰিত বিশিষ্ট অতিথিসকলৰ লগতে মৰিগাঁও আৰু নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা উপস্থিত হোৱা কবিসকলক উদ্যোক্তাসকলে একোখন ফুলাম গামোচাৰে আদৰণি জনায়। ইফালে, এই অনুষ্ঠানতে খাই প্ৰকাশনৰ স্বত্বাধিকাৰী তথা 'বাটৰ কবিতা' সমন্বয়ক ক্ৰমে খাইৰুল ইছলাম আৰু মুহাম্মাদ আফজালক মৈৰাবাৰীৰ স্থানীয় পʼৰ্টেল এম লাইভৰ তৰফৰ পৰা এখন মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতে আমন্ত্ৰিত ডেৰ কুৰি কবিয়ে 'বাটৰ কবিতা'ৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠানত কবিতা পাঠ কৰে। তদুপৰি কণ্ঠশিল্পী ৰুণু বেগমে এটি জ্যোতি সংগীত পৰিৱেশন কৰে।

# হাজোত আপাৰ সংবাদ মেল সম্বোধন

**ই-সংবাদ, হাজো, ১০ ডিচেম্বৰঃ** কামৰূপ জিলাৰ হাজোত অল আছাম ফিজিঅ'থেৰাপী এছ'চিয়েচন চমুকৈ আপাই এখন সংবাদ মেল সম্বোধন কৰে। 'আপা'ৰ হৈ এই সংবাদমেল সম্বোধন কৰি ডাঃ শংকৰজ্যোতি তালুকদাৰ(পি.টি.) আৰু ডাঃ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তীয়ে ভুল তথ্য প্ৰদানেৰে এছ'চিয়েচনৰ সদস্যভুক্ত হোৱা কামাল হাছান নামৰ ব্যক্তিজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হৈছে বুলি জানিবলৈ দিয়ে। ২০১৮ চনত ফিজিঅ' থেৰাপিৰ স্নাতক ডিগ্ৰী লাভ কৰাৰ প্ৰমাণপত্ৰ দেখুৱাই কামাল হাছান নামৰ লোকজনে আপাৰ সদস্য হিচাপে নিজৰ নাম পঞ্জীয়ন কৰিছিল। পৰৱৰ্তী সময়ত কামাল হাছানৰ বিৰুদ্ধে উঠা অভিযোগৰ বিভাগীয় তদন্তত পোহৰলৈ আহে ফিজিঅ' থেৰাপি স্নাতক পাঠ্যক্ৰমৰ বাবে দাখিল কৰা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত উত্তীৰ্ণৰ প্ৰমাণ পত্ৰখন ভুৱা। এই প্ৰমাণ পত্ৰ ভুৱা বুলি প্ৰমাণিত হোৱাত তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ আপাই কামাল হাছানৰ পঞ্জীয়ন বাতিল কৰে। আজিৰ সংবাদমেলত চিকিৎসকদ্বয়ে জনোৱা অনুসৰি নতুনকৈ উত্তীৰ্ণ হোৱা ফিজিঅ' থেৰাপিষ্টসকলক আপাত নিজৰ নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়। আনহাতে, এই সংবাদমেলতেই নৱ নিযুক্ত স্বাস্থ্য মন্ত্ৰী অশোক সিংঘলক সদৌ অসম ফিজিঅ' থেৰিপি সংস্থা (আপা)ৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰে।

# বেতবাৰীত মহাপালনামৰ প্ৰস্তুতি, ৰাজহুৱা সভা সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ১০ ডিচেম্বৰঃ** সদৌ অসম কৃষ্ণ সূৰ্য নাম সমাজ আৰু সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ উদ্যোগত তথা ৰাইজৰ সহযোগত অহা ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব দ্বি-বাৰ্ষিক মহাপালনাম। জীৱ জগতৰ কল্যাণ কামনাৰে শিৱসাগৰ বেতবাৰী শুকান পুখুৰীত লক্ষাধিক ভক্তপ্ৰাণ ৰাইজৰ সমাগমেৰে অনুষ্ঠিত কৰিবলগীয়া দ্বি-বাৰ্ষিক মহাপালনামৰ বাবে এতিয়াৰে পৰা চলাইছে প্ৰস্তুতি। এই উপলক্ষে কালি বেতবাৰীৰ শুকান পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰা হয় এখন ৰাজহুৱা সভা। সদৌ অসম কৃষ্ণ সূৰ্য নাম সমাজৰ মুখ্য নামাচাৰ্য হীৰেন বাৰুৱাতীৰ সভাপতিত্বত অনুষ্ঠিত সভাতে মহাপালনাম আয়োজনৰ বাবে ১৮ খন উপ-সমিতি গঠন কৰা হয়। কৃষ্ণ সূৰ্য নাম সমাজৰ সভাপতি ভৱেন সন্দিকৈ, সম্পাদক দিলীপ চাংমাই, সহকাৰী সম্পাদক অসীম চেতিয়াই আগন্তুক মহাপালনামত ৰাইজক সহায়-সহযোগিতা কৰিবলৈ আহ্বান জনায়। দ্বি-বাৰ্ষিক মহাপালনামত ভাগৱত ৰসসিন্দু ৰিজু পাঠক, শান্তি সাধনা আশ্ৰমৰ কুলপতি হেমভাই, ভাৰত চৰকাৰৰ দ্বাৰা মহিয়সী নাৰী সন্মান প্ৰাপক নাগাৰা নামৰ শিল্পী বজয়ন্তী তালুকদাৰসহ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰসকলে অংশগ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে উদ্যোক্তাসকলে।

## পোনাকণ বৰুৱাৰ নেতৃত্বত অগপক অধিক শক্তিশালী কৰাৰ পণ

# লাহোৱালত অগপৰ শ্বহীদ দিৱস উদযাপন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১০ ডিচেম্বৰঃ** অসম গণ পৰিষদ দলৰ চাবুৱা-লাহোৱাল বিধানসভাৰ সমষ্টিৰ অন্তৰ্গত আজি লাহোৱালৰ লক্ষীনাৰায়ণ ঠাকুৰবাড়ী প্ৰাংগণত শ্বহীদ দিৱস উদযাপন কৰা হয়। পুৱাই শ্বহীদক স্মৰণ কৰে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পুতুল সোণোৱাল, চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ লগতে কেন্দ্ৰীয়, জিলা আৰু সমষ্টিৰ পৰ্যায়ৰ নেতৃত্বই। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে অসমত বিদেশী বহিস্কাৰ আন্দোলন চলিছিল আৰু ন্যায্য আন্দোলন দমন কৰিবলৈ সেই সময়ত চৰকাৰৰ পুলিচ, চিআৰপিৰ অত্যাচাৰত অসমৰ ৮৬০ জন লোক শ্বহীদ হৈছিল। হাজাৰ হাজাৰ লোক আজীৱন ঘূণীয়া হৈছিল। অসমৰ বহু বাই-ভনী ধৰ্ষিতা হৈছিল। বিদেশী বহিস্কাৰ আন্দোলনৰ শ্বহীদসকলক স্মৰণ কৰিবলৈ প্ৰতিবছৰে অসমবাসীয়ে ১০ ডিচেম্বৰ দিনটোক শ্বহীদ দিৱস হিচাপে পালন কৰি আহিছে। আজি অগপ দলৰ নেতাকৰ্মীসকলে শ্বহীদক স্মৰণ কৰা পিছতেই অগপ চাবুৱা-লাহোৱালৰ সভাপতি কৃষ্ণানন্দ দুৱৰাৰ পৌৰোহিত্যত ৰাজনৈতিক সাংগঠনিক কৰ্মশালা অনুষ্ঠিত কৰে। এই সাংগঠনিক ৰাজনৈতিক কৰ্মশালাত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বিষয়ে আলোচনা কৰে তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকলৰ সৈতে। নতুনকৈ গঠন হোৱা চাবুৱা-লাহোৱাল সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে অগপক অধিক শক্তিশালী কৰিবলৈ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ নেতৃত্বতে কঁকালত টঙালি বান্ধিছে নেতা-কৰ্মীসকলে। অগপ চাবুৱা-লাহোৱাল সমষ্টিৰ সম্পাদক বিনোদ বুঢ়াগোহাঁয়ে আদৰণি তথা ৰাজনৈতিক কৰ্মশালাখনি বিষয় উদ্দেশ্য ব্যাখ্যা কৰে। চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই শ্বহীদক স্মৰণ কৰাৰ পিছতেই উপস্থিত থকা অগপ দলৰ শ শ কৰ্মীক সম্বোধন কৰে। আজি লাহোৱাল উন্নয়ন খণ্ডৰ অধীনত থকা বহুকেইখন গাঁও পঞ্চায়তৰ কংগ্ৰেছ, বিজেপি আৰু বিভিন্ন দলৰ নেতা-কৰ্মীয়ে অগপ দলত যোগদান কৰি জয় ধ্বনি দিয়া পৰিলক্ষিত হয়।

# পাণ্ডুলিপি প্ৰতিযোগিতাত মদন মোহন পাগবন্ধাৰ সফলতা

**ই-সংবাদ, মৰিয়নি, ১০ ডিচেম্বৰঃ** যোৰহাট জিলাৰ চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি, সাংস্কৃতিক সংগঠক, কবি, গল্পকাৰ, প্ৰৱন্ধকাৰ মদন মোহন পাগবন্ধাই গুৱাহাটীৰ প্ৰতিষ্ঠিত প্ৰকাশন গোষ্ঠী বৰ্ণ প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছে আয়োজন কৰা পাণ্ডুলিপি প্ৰতিযোগিতাত বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে উক্ত প্ৰতিযোগিতাত ১২২ টা পাণ্ডুলিপিৰ শ্ৰেষ্ঠ দহখনৰ ভিতৰত স্থান লাভ কৰি পুৰস্কাৰ পাবলৈ সক্ষম হৈছে পাগবন্ধাৰ গল্প সংকলনে। লেখকজনে 'পাদুকা- এযোৰ চেণ্ডেল' শীৰ্ষক ৰহস্য আৰু ভৌতিক গল্প সংকলনটিৰ জৰিয়তে এই পুৰস্কাৰ লাভ কৰিছে। বৰ্ণ প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছৰ মুখ্য প্ৰবন্ধক ৰিজুমণি গোস্বামীয়ে জনোৱা মতে, ২০২৫ বৰ্ষৰ ১ জানুৱাৰীত অসম সাহিত্য সভাৰ লক্ষ্মীৰাম বৰুৱা সদনত আয়োজিত অনুষ্ঠানত তেওঁক এই পুৰস্কাৰ প্ৰদান কৰা হ'ব।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোপীকান্ত শৰ্মাৰ মৃত্যুত অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক প্ৰকাশ

**ই-সংবাদ, মৰিগাঁও, ১০ ডিচেম্বৰঃ** মৰিগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট সমাজকৰ্মী গোপীকান্ত শৰ্মাৰ আজি পুৱা ১০ মান বজাত নগৰখনৰ ৯ নং ৱাৰ্ডস্থিত নভেটিৰ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। দীৰ্ঘদিন ধৰি হৃদ ৰোগত অক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটা নগৰখনৰ জ্যেষ্ঠ নাগৰিকগৰাকীৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ১৯৪২ চনত নগাঁও জিলাৰ ঘাঁহীত জন্ম গ্ৰহণ কৰা শৰ্মাই শিক্ষকতা বৃত্তিৰে কৰ্মজীৱন আৰম্ভ কৰে। মৰিগাঁও জিলাৰ কেইবাখনো বিদ্যালয়ত শিক্ষকতা কৰি মৰিগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শৰ্মা এগৰাকী কৃতী শিক্ষকৰূপে পৰিচিত হৈছিল। শিক্ষকতা বৃত্তিৰ উপৰি মৰিগাঁও জিলাৰ ধৰ্মীয়, শৈক্ষিককে ধৰি একাধিক অনুষ্ঠানৰ নেতৃত্ব বহন কৰা প্ৰয়াত শৰ্মা মৰিগাঁও জিলা মধ্য ইংৰাজী শিক্ষক সন্থা, জ্যেষ্ঠ নাগৰিক সন্থাৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত আছিল। প্ৰয়াত শৰ্মা মৰিগাঁও সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ সভাপতি পদো অলংকৃত কৰিছিল। অতি সৰবৰহী ব্যক্তি হিচাপে পৰিচিত শৰ্মাই মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ, দুই জীয়ৰীৰ লগতে বহু সংখ্যক আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা সভা

**ই-সংবাদ, মোৱাঝাৰ, ১০ ডিচেম্বৰঃ** হোজাইৰ মোৱাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক আজি বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আজি বিদ্যালয় প্ৰাংগণত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হৈ যায়। ইয়াৰ পূৰ্বে বিদায়ী শিক্ষক স্বফিক উদ্দিন আহমেদক লৈ ছাত্ৰ-ছাত্ৰীয়ে শোভাযাত্ৰা উলিয়ায়। ইয়াৰ পাছতে বিদ্যালয়ৰ অধ্যক্ষ ফখৰ উদ্দিন চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে হাজী আনফৰ আলী কলেজৰ সহকাৰী অধ্যাপক আতাউৰ ৰহমান চৌধুৰী উপস্থিত থকাৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাখন উদ্দিন আহমেদ, মোৱাঝাৰ হাইস্কুলৰ অধ্যক্ষ বসিৰ আহমেদ, জাতীয় একাডেমীৰ সঞ্চালক বিলাল উদ্দিন ইপিএছৰ সঞ্চালক হোচন আহমেদ, পদুমনি জাতীয় বিদ্যালয়ৰ সঞ্চালক নজৰুল ইছলাম, গাইডেন্স জুনিয়ৰ কলেজৰ অধ্যক্ষ ছাদিকুজ জামান, সঞ্চালক আবু ছুফিয়ান, প্ৰাক্তন ছাত্ৰ এজাজুল হককে ধৰি ভালেমান অতিথি উপস্থিত থাকি ভাষণ দিয়ে। সভাত বিদায়ী শিক্ষকগৰাকীক মোৱাঝাৰ সংযুক্ত যুৱ সচেতন মঞ্চ, যমুনাপৰীয়া শাখা সাহিত্য সভা, জাতীয় একাডেমী, পদুমনি জাতীয় বিদ্যালয় কৰ্তৃপক্ষকে ধৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বিপুল সম্বৰ্ধনা জনায়।

# শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি, ৰূপায়িত হ'ব বৰ্ণিল কাৰ্যসূচী

**ই-সংবাদ, বেবেজীয়া, ১০ ডিচেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চমুৱাগাঁৱত ১৯৯৮ চনৰ ৪ জানুৱাৰীত বহুকেইজন সমাজহিতৈষী লোকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠিছিল শংকৰদেৱ চিত্ৰকলা বিদ্যালয় । প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোৰ উঠি অহা শিশু, কিশোৰ, কিশোৰীসকলক চিত্ৰকলাৰ লগতে সংগীত আৰু ধ্ৰুপদী নৃত্যৰ শিক্ষা প্ৰদানৰে শিক্ষাৰ্থীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশত বিশেষ ভূমিকা পালন কৰি অহা এই শিক্ষানুষ্ঠানখনে ইতিমধ্যে সগৌৰবে ২৫ টা বৰ্ষ গৰকিবলৈ সক্ষম হৈছে । সেয়ে বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ সহযোগত ইতিমধ্যে অনুষ্ঠিত হৈ যোৱা ৰাজহুৱা সভাত উক্ত ৰূপালী জয়ন্তী উৎসৱটি বছৰযোৰাকৈ বৰ্ণিল কাৰ্যসূচীৰে উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহন কৰে । সেই অনুসৰি আগন্তুক বৰ্ষৰ ৪ জানুৱাৰীত ৰূপালী জয়ন্তী উৎসৱৰ বছৰযোৰা কাৰ্যক্ৰমণিকাৰ শুভাৰম্ভনি অনুষ্ঠান অনুষ্ঠিত কৰাৰ মানসেৰে প্ৰস্তুতিত নামি পৰিছে । ইয়াৰ অংশহিচাপে দেওঁবাৰে বিশিষ্ট সমাজকৰ্মী মিহিৰাম ভূঞাৰ পৌৰহিত্যত উদযাপন সমিতিৰ এখনি কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ প্ৰধান আচাৰ্য অজিত চন্দ্ৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত শুভাৰম্ভনি অনুষ্ঠানৰ লগতে উৎসৱটিৰ কাৰ্যসূচীসমূহৰ সন্দৰ্ভত বিযদভাৱে আলোচনা কৰা হয়। সভাত উদযাপন সমিতিৰ সভাপতি ধনঞ্জয় কুশ্ৰে, সমাজকৰ্মী অৰূপ কুমাৰ মহন্ত, কবি সঞ্জীৱ সাগৰ চৌধুৰী, ৰামচন্দ্ৰ গোস্বামী, চন্দ্ৰ মোহন শইকীয়া, ৰুহিত শইকীয়া, জাহ্নুপ্ৰাণ মহন্তকে ধৰি কেইবাজনো ব্যক্তিয়ে বছৰযোৰা কাৰ্যসূচীসমূহৰ সন্দৰ্ভত মতামত ব্যক্ত কৰাৰ লগতে বৰ্তমান সময়ত সমাজত গ্ৰাস কৰা অপসংস্কৃতিৰ বিষয়ে আলোকপাত কৰি এইবোৰৰ পৰা সকলোকে আঁতৰি থাকিবলৈ আহ্বান জনায় । গাম্ভীৰ্যপূৰ্ণ সভাখনিত ভূবন নাথ, ৰিপুঞ্জয় শৰ্মা, সাংবাদিক জয়ন্ত মুদৈ, চন্দন জ্যোতি বৰা, দেৱাশিস বেজবৰুৱা, ভবেন চন্দ্ৰ মেধী, কবিৰুল জামান, যুগ্মজ্যোতি শইকীয়া, বীৰেন চন্দ্ৰ বৰা, পাৰুল শইকীয়া দেৱী, মোহন শইকীয়া, মাখন বৰা, পুষ্পাঞ্জলি ডেকা, মিনুমাই বৰা, শেৱালি বৰুৱা, পম্পী ভূঞা, নিবেদিতা বৰা, চিংকুমনি দাস, বন্দনা বৰা, শ্যামলী শইকীয়াকে ধৰি বহুলোক উপস্থিত থাকে।

# গোৰেশ্বৰৰ বৰফুকনখাট মধ্য ইংৰাজী বিদ্যালয়ত অন্ধবিশ্বাস, কুসংস্কাৰ, ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সভা





**ই-সংবাদ, গোৰেশ্বৰ, ১০ডিচেম্বৰঃ** 'অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব নোৱাৰিলে দেশ এখন কেতিয়াও উন্নত দেশলৈ ৰূপান্তৰ হ'ব নোৱাৰে '। য'ত কোনো বৈজ্ঞানিক যুক্তি যুক্ততা নাই সেইয়াই হৈছে অন্ধ বিশ্বাস '। এই মন্তব্য তামুলপুৰ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ অসীম ডেকাৰ। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ সৌজন্যত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ গোৰেশ্বৰ খণ্ডৰ উদ্যোগত আজি দুপৰীয়া গোৰেশ্বৰৰ বফুকনখাট মধ্য ইংৰাজী বিদ্যালয়ত অন্ধবিশ্বাস,কুসংস্কাৰ আৰু ড্ৰাগছৰ বিৰুদ্ধে এখন সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধ্যক্ষ ডেকাই আৰু কয় যে সমাজত বহুতো ৰীতি নীতি অন্ধ বিশ্বাসতেই চলি আছে আৰু কোটি কোটি টকা ব্যয় কৰা হৈছে । যিটোত নেকি বৈজ্ঞানিক কোনো ভিত্তি নাই। অৱসৰী শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী অলি নাথৰ সঞ্চালনাত অনুষ্ঠিত সভাত অধ্যক্ষ ডেকাই অন্ধ বিশ্বাসৰ পৰা মুক্ত হ'ব লাগিলে বৈজ্ঞানিক দৃষ্টিভংগী আৰু যুক্তিৰে চাব লাগিব বুলি কয়। অংক শাস্ত্ৰৰ স্নাতকোত্তৰ অধ্যক্ষ ডেকাই সজাগতা সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক একাংশ ধুৰন্ধৰে কেনেকৈ ঠগ -প্ৰবঞ্চনা কৰে সেইবিষয়ে অংকৰে বুজাই দিয়ে। কু-সংস্কাৰৰ সন্দৰ্ভত অধ্যক্ষ ডেকাই বহলাই ব্যাখ্যা কৰি এতিয়াও একাংশ পৰিয়ালত মহিলাৰ ঋতুস্ৰাৱৰ সময়ত কৰা কাৰ্যৰ বিষয়ে উল্লেখ কৰি সেইসময়ত ল'বলগীয়া যতনৰ বিষয়ে কয়। শিক্ষক তথা সমাজকৰ্মী প্ৰফুল্ল বৰাই উদ্বোধন কৰা সজাগতা সভাত অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক তথা বেতনা হাইস্কুলৰ শিক্ষক আনন্দ বড়োৱে (অঞ্জিমা) সমল ব্যক্তি হিচাপে উপস্থিত থাকি অন্ধ বিশ্বাস ,কুসংস্কাৰ আৰু ড্ৰাগছে সমাজ এখন কেনেদৰে পিচুৱাই নিয়ে সেই বিষয়ে ব্যাখ্যা কৰে। উক্ত শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা সমবেত গীতেৰে আৰম্ভ হোৱা সজাগতা সভাত সাংবাদিক আব্দুল লতিফ চৌধুৰী ,অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ সম্পাদক মুকুণ্ড কাকতিয়ে অন্ধবিশ্বাস কুংসস্কাৰ আৰু ড্ৰাগছৰ ভয়াবহতাৰ ওপৰত কিছু আলোচনা আগবঢ়ায়। প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাত শলাগৰ শৰাই আগবঢ়ায় ধৰ্মকান্ত ৰাজবংশীয়ে।

# নগাঁও জিলাত 'বাল্য বিবাহ মুক্ত ভাৰত' অভিযানৰ সামৰণি অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, পুৰণিগুদাম, ১০ ডিচেম্বৰঃ** নগাঁও জিলা আইন সেৱা প্ৰাধিকৰণ আৰু শিশু হেল্পলাইন ইউনিট নগাঁৰৰ সহযোগত বেচৰকাৰী সংস্থা কোচি লোক মঞ্চই "বাল্য বিবাহ মুক্ত ভাৰত" অভিযানৰ সামৰণি অনুষ্ঠানটি আজি নগাঁও চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰে।এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে আইনী সাহায্য প্ৰতিৰক্ষা পৰিষদৰ উপ-মুৰব্বী বুলবুলি শৰ্মা, জেচমিন বেগম, আইনী সাহায্য প্ৰতিৰক্ষা পৰিষদ, কুইন বৰা,মহিলা সৱলীকৰণ কেন্দ্ৰৰ জিলা কাৰ্যক্ৰম সমন্বয়ক তথা জিলা মিছন সমন্বয়ক জনপ্ৰিয়া কলিতা, লিংগ বিশেষজ্ঞ, জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ সুপ্ৰিয়া কৌশিক, সমন্বয়ক চাইল্ড লাইন ইউনিট ৰীতা কলিতা, প্ৰধান শিক্ষয়িত্ৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়। উক্ত সভাত আইনী সাহায্য প্ৰতিৰক্ষা পৰিষদৰ সদস্য জেচমিন বেগমে তেওঁৰ ভাষণত বাল্য বিবাহৰ নিষেধাজ্ঞা আইন আৰু আনুষংগিক আইনসমূহৰ বিষয়ে স্পষ্টকৈ বুজাই দিয়ে। সুপ্ৰিয়া কৌশিকে শিশু হেল্পলাইন ইউনিটৰ ভূমিকা আৰু দায়িত্বৰ ওপৰত আলোকপাত কৰে। সমাজ কল্যাণ বিভাগৰ পৰা কুইন বৰাই তৃণমূল পৰ্যায়ত বাল্যবিবাহৰ ভয়াৱহ পৰিণতিৰ বিষয়ে বিশদভাৱে বক্তব্য ৰাখে। অনুষ্ঠানটিৰ শেষত বিদ্যালয়ৰ অধ্যক্ষৰ উদ্যোগত উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু বিষয়ববীয়া সকলোৱে মিলি বাল্যবিবাহ ৰোধৰ বাবে শপতবাক্য পাঠ কৰে।

# দুই বঁটা প্ৰাপকক ৰাৱিয়ৰ্চৰ সম্বৰ্ধনা

**ই-সংবাদ, ডুমডুমা, ১০ ডিচেম্বৰঃ** নিৰলস সাহিত্য কৰ্মৰে অসমীয়া সাহিত্য জগতলৈ অনবদ্য বৰঙণি আগবঢ়োৱা আৰু অতি শেহতীয়াকৈ অসম চৰকাৰৰ সাহিত্য বঁটাৰে সন্মানিত তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ দাঁতিকাষৰীয়া ৰূপাই মিলনতীৰ্থ নিৱাসী বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ শৰৎ চন্দ্ৰ চিৰিংফুকন আৰু তিনিচুকীয়া জিলাৰ বিশিষ্ট সাংবাদিক তথা ৰূপাই লাচিত নগৰ নিৱাসী ' অসমীয়া প্ৰতিদিন' কাকতৰ ডুমডুমাৰ সংবাদদাতা মনোজ দত্তক 'সাদিন-প্ৰতিদিন' গোষ্ঠীৰ ২০২৪ বৰ্ষৰ শ্ৰেষ্ঠ বঁটা ' এচিভাৰ এৱাৰ্ডছ ' ৰে সন্মানিত হৈ বৃহত্তৰ ডুমডুমা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাত মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ চমুকৈ " ৰাৱিয়ৰ্চ" ৰ ডুমডুমা আঞ্চলিকৰ কৰ্মীসকল যথেষ্ট উৎফুল্লিত হৈ পৰে। সংগঠনটোৰ এটা কৰ্মীবাহিনীয়ে কালি উভয়ৰ ঘৰলৈ গৈ একোখনকৈ গ্ৰন্থ আৰু ফুলাম গামোচাৰে দুয়োগৰাকী বঁটাপ্ৰাপকক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা জ্ঞাপন কৰিবলৈ যোৱা ৰাৱিয়ৰ্চৰ দলটোত আছিল প্ৰণীতা শৰ্মা, মৃণালী মৰাণ, মামনি পাটোৱাৰী, মম্পী পাটোৱাৰী, কবিতা ডেকা, নমিতা বৰা, ৰিমা ডেকা, ৰুমি মেধি।

# তুষপাৰা গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ নামত ব্যাপক অনিয়ম

**ই-সংবাদ, পৰ্বতঝোৰা, ১০ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ মহামায়া উন্নয়ন খণ্ডৰ অন্তৰ্গত তুষপাৰা গাঁও পঞ্চায়তত দুখনকৈ গাঁৱত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। পঞ্চায়তখনৰ বামুণী গাঁও প্ৰথম খণ্ড আৰু বামুণী গাঁও দ্বিতীয় খণ্ড গাঁৱৰ আই ডি AS1606310, AS2042142, AS1605282 আৰু বহুতো হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ কামত মহামায়া উন্নয়ন খণ্ডৰ বিষয়া মঞ্জুলা ঠাকুৰীয়া আৰু জিপিচি ৰহুল কদ্দুছে বৃহৎ অংকৰ কমিচনৰ মিতিৰালিৰে এখন গাঁৱৰ ঘৰ আন এটা পঞ্চায়তত, আন এটা ঘৰ এখন গাঁৱত দেখুৱাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ নিৰ্মাণৰ কামত ব্যাপক অনিয়ম সংঘটিত কৰা বুলি অভিযোগ উত্থাপিত হৈছে। তুষপাৰা গাঁও পঞ্চায়তৰ বামুণী গাঁও দ্বিতীয় খণ্ড গাঁৱৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ কামত ব্যাপক কেলেংকাৰি সন্দৰ্ভত অসম সংখ্যালঘু সংগ্ৰাম সমিতিৰ লগতে ভুক্তভোগী ৰাইজে মহামায়া উন্নয়ন খণ্ডত চলি থকা দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নামত সংঘটিত এই অনিয়মে স্থানীয় ৰাইজক ক্ষুব্ধ কৰি তুলিছে।

## বঙাইগাঁৱত মন্দিৰৰ দানপাত্ৰ লৈ উধাও চোৰ

**ই-সংবাদ, বঙাইগাঁও, ১০ ডিচেম্বৰঃ** বঙাইগাঁও চহৰত বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। চহৰখনৰ নতুনপাৰা আৰু দোলাইগাঁৱত সংঘটিত হৈছে দুটাকৈ চুৰিকাণ্ড। চহৰৰ নতুনপৰাস্থিত শ্ৰীশ্ৰী সাৰ্বজনীন দুৰ্গা মন্দিৰত দেওবাৰে পুৱতি নিশা চোৰে দানপাত্ৰলৈ উধাও হয়। আনহাতে, দোলাইগাঁৱত এঘৰ লোকৰ কোনো নথকাৰ সুযোগত চোৰে গৃহত প্ৰৱেশ কৰি নগদ ধন আৰু সোণৰ কিছু অলংকাৰ চুৰি কৰি নিয়ে। প্ৰাপ্ত বাতৰি মতে, নতুনপৰাস্থিত শ্ৰীশ্ৰী সাৰ্বজনীন দুৰ্গা মন্দিৰত দুজন চোৰে পুৱতি নিশা প্ৰায় ৩ টা মান বজাত মন্দিৰৰ গ্ৰীলৰ দুৱাৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি ধনসহ দানপাত্ৰ লৈ উধাও হয়। উল্লেখ্য যে স্থানীয় ৰাইজে মন্দিৰত শব্দ শুনি উঠি আহে যদিও চোৰ দুজন পলাই যাবলৈ সক্ষম হয়। পিছত চুৰিকাণ্ড সন্দৰ্ভত সোমবাৰে মন্দিৰ কমিটীয়ে উত্তৰ বঙাইগাঁও তহলদাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। ইতিমধ্যে উত্তৰ বঙাইগাঁও আৰক্ষীয়ে ঘটনাৰ তদন্ত আব্যাহত ৰাখিছে। আনহাতে, দোলাইগাঁও মাজপাৰাৰ ঋতু চৌধুৰী নামৰ লোকজনৰ গৃহত সংঘটিত হয় আন এক চুৰিকাণ্ড। গৃহত কোনো নথকাৰ সুযোগ বুজি চোৰে খিৰিকীৰ গ্ৰীল খুলি ভিতৰত প্ৰৱেশ কৰি আলমিৰাৰ লকাৰ ভাঙি নগদ ৩০ হাজাৰ টকা আৰু কিছু সোণৰ অলংকাৰ চুৰি কৰি নিয়ে। লোৱাৰ লগতে তদন্ত আৰম্ভ কৰে।

## বঙাইগাঁৱত 'অসম কাব্য কানন'ৰ অধিৱেশন

**ই-সংবাদ, বঙাইগাঁও, ১০ ডিচেম্বৰঃ** 'অসম কাব্য কানন'ৰ সপ্তম বাৰ্ষিক অধিৱেশন দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে বঙাইগাঁৱৰ বীৰঝৰা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে অসম কাব্য কাননৰ সভাপতি ডাঃ হীৰেন্দ্ৰ কুমাৰ ভাগৱতীয়ে। ইয়াৰ পিছত বন্তি প্ৰজ্বালন কৰে অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক পবিত্ৰ কুমাৰ নাথ, কাৰ্যকৰী সদস্য ভূমিকা দাস, যামিনী দেৱী আৰু লাৱণ্য নাথে। স্মৃতি তৰ্পণ কৰে বিশ্বজিৎ গগৈ, অনামিকা ৰায় আৰু ৰমেশ চন্দ্ৰ ৰায়ে। ইয়াৰ পিছতে অসম কাব্য কাননৰ উপদেষ্টা জয়ন্ত কুমাৰ বৰ্মনৰ সঞ্চালনাত অনুষ্ঠিত হয় 'সতীৰ্থৰ কবিতা পঢ়ো আহক' শীৰ্ষক কবিতা পাঠৰ অনুষ্ঠান। এই অনুষ্ঠান পৰিচালনা কৰে অৰ্চনা ঠাকুৰীয়া, ৰিংকুমণি বড়া আৰু অসম কাব্য কাননৰ সম্পাদক নৱ ৰাজনে। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভা তথা কবি সন্মিলনৰ প্ৰাক্তন আহ্বায়ক মিৰ্জা হুমায়ুন কবিৰ আৰু পথেকীয়া কাব্যকাননৰ প্ৰকাশক ছেকেণ্ডাৰ আলী আহমেদ। দুপৰীয়া ডাঃ হীৰেন্দ্ৰ কুমাৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠান। সভাৰ আৰম্ভণিতে কাব্য কাননৰ সম্পাদক নৱ ৰাজনে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। আনহাতে, আদৰণী ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ সভাপতি ধীৰেশ চন্দ্ৰ ৰায়ে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে সাহিত্য অকাডেমীৰ অসমীয়া ভাষা উপদেষ্টা পৰিষদ সদস্য তথা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ বিনীতা বৰা দেৱচৌধুৰীয়ে। সেইদৰে সন্মানীয় অতিথিৰূপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে বঙাইগাঁও জিলা সাহিত্য সভাৰ সভাপতি ৰোহিণী কুমাৰ চৌধুৰীয়ে। সভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ হিল্লোলজ্যোতি সিংহ, একেখন বিশ্ববিদ্যালয়ৰে ছাত্ৰ কল্যাণ পৰিষদৰ সঞ্চালক তথা কাব্য কাননৰ উপ-সভাপতি ড০ প্ৰহ্লাদ বসুমতাৰী, কাব্যম প্ৰকাশৰ প্ৰকাশক প্ৰদীপ চন্দ্ৰ শৰ্মা আৰু কাব্যম বঁটাপ্ৰাপক দেৱজিত হাজৰিকাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। আনহাতে, বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাই আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাত ড০ হিল্লোলজ্যোতি সিংহ আৰু ৰঞ্জিত কুমাৰ শৰ্মায়ো সভাত চমু বক্তব্য দাঙি ধৰে। ইপিনে, উক্ত সভাতেই কাব্যগ্ৰন্থ 'আমাৰ কাব্যকানন' উন্মোচন কৰি বক্তব্য দাঙি ধৰে নলবাৰীৰ বৰভাগ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ সুশান্ত কুমাৰ কাশ্যপে। সভাত দেৱজিত হাজৰিকাক ২০২৪ চনৰ 'কাব্যম বঁটা' প্ৰদান কৰা হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদক পবিত্ৰ কুমাৰ নাথে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত সভাপতিয়ে চমু বক্তব্যৰে সভা সামৰে।

## হাজোত গৰু চোৰৰ সন্ত্ৰাস, ৰাজপথলৈ গো-পালক

**ই-সংবাদ, হাজো, ১০ ডিচেম্বৰঃ** এফালে ৰাজ্যত গো-মাংস নিষিদ্ধ, আনফালে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে গো-ধনৰ চোৰাং বেহা। বিশেষকৈ কামৰূপ জিলাৰ অন্তৰ্গত তীৰ্থ নগৰী হাজোৰ ভিন্ন প্ৰান্তত বিগত কিছুদিন ধৰি গৰু চোৰৰ সন্ত্ৰাস উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। হাজো আৰক্ষী থানাৰ অন্তৰ্গত চকামতলী, আধিয়াৰপাৰা আদি অঞ্চলত গৰু চোৰৰ সন্ত্ৰাসত বিনিদ্ৰ ৰজনী কটাইছে গো-পালকসকলে। নিশাৰ ভিতৰতে গোহালিৰ পৰা নোহোৱা হৈছে এটাৰ পিছত আন এটা গৰু। কৃষি প্ৰধান এইসমূহ অঞ্চলৰ খেতিয়ক তথা গো পালকসকলে এতিয়া গো-ধনৰ অভাৱত কৃষি কৰ্ম কৰিব নোৱাৰি মূৰে-কপালে হাত দিবলগীয়া হৈছে। গাই গৰুৰ গাখীৰ টুপি বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া গৃহিণীসকলোৰো পানীত হাঁহ নচৰা অৱস্থা হৈছে। উদং গোহালি দেখি চকু পানীৰে বাট নেদেখা হৈছে বৃদ্ধৰ পৰা শিশুলৈকে। আনহাতে, চকামতলী ৰাইজৰ অভিযোগ যে গৰু চুৰি হোৱা দিন ধৰি স্থানীয় আৰক্ষীক অভিযোগ দি আহিছে যদিও আৰক্ষীয়ে



আজি পৰ্যন্ত গৰু চুৰি ৰোধ কৰিব পৰা নাই। ফলত অতিষ্ঠ ৰাইজ ৰাজপথলৈ ওলাই আহি গৰু চোৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হৈছে। অতি শীঘ্ৰে গৰু চুৰি ৰোধ কৰিবলৈ স্থানীয় আৰক্ষী তথা প্ৰশাসনক দাবী জনাইছে চকামতলীবাসী ৰাইজে।

# ডিগবৈ তেল শোধনাগাৰৰ প্ৰতিষ্ঠা দিৱসত কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহত সামগ্ৰী দান

**ই-সংবাদ, ডুমডুমা, ১০ ডিচেম্বৰ :** ১৯০১ চনত প্ৰতিষ্ঠিত হোৱা এছিয়াৰ সৰ্ববৃহৎ ডিগবৈ তেল শোধনাগাৰটোৰ আজি ১২৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি ভাৰতীয় তৈল নিগম (অসম তৈল সংমণ্ডল)ৰ ডিগবৈ শোধনাগাৰৰ কাৰ্য্যবাহী সঞ্চালক তথা মুখ্য বিষয়া অজিত কৈলা সহ এটি বিষয়া-কৰ্মচাৰীৰ দলে ডুমডুমা আৰক্ষী থানাৰ এলেকাধীন গংগাবাৰীত থকা কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহলৈ আহি ইনভাৰ্টাৰ, গিজাৰ, টিভি, খাদ্যবস্তুসহ ৩৮৩ বিধ লাগতিয়াল সামগ্ৰী দান স্বৰূপে আগবঢ়ায়। অনাথ শিশুগৃহটোৰ পৰিচালনা সমিতিৰ সম্পাদক অখিল চন্দ্ৰ বৰুৱাই আনুষ্ঠানিকভাৱে সামগ্ৰীবোৰ গ্ৰহণ কৰে আৰু এই ক্ষেত্ৰত শোধনাগাৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। শিশু-কৰ্মচাৰী তথা কৰ্মকৰ্তাসকলৰ লগতে শোধনাগাৰৰ পৰা অহা দলটোৰ উপস্থিতিত শিশুগৃহটোত এই উপলক্ষ্যত এটা সুন্দৰ অনুষ্ঠানো অনুষ্ঠিত হ'য়। অনুষ্ঠানত শোধনাগাৰটোৰ কাৰ্য্যবাহী সঞ্চালক অজয় কৈলাই ভাষণ প্ৰসঙ্গত কয় যে শিশুসকলক মাগ দৰ্শন কৰাব লাগিব, তেওঁলোকৰ জীৱন সুন্দৰ হোৱাৰ বাবে তেওঁলোকৰ সৰ্বাংগীন উন্নতি সাধন কৰিব লাগিব আৰু তেতিয়াহে দেশৰ উন্নতি সম্ভৱ হ'ব। শিশুগৃহৰ পৰিচালকমণ্ডলীৰ হাততেই অসহায় জীৱনবোৰে সাৰ পাই উঠিব পাৰে বুলিও বিষয়াগৰাকীয়ে মন্তব্য কৰে। শোধনাগাৰৰ বিষয়া কে দাস, ধনজিৎ বৈশ্য, কমল বসুমতাৰী, বিবেক লোহিয়া, পংকজ ডেকা, জিন্তু শইকীয়া সৌম্য ৰঞ্জন নায়ক, মহেশ তিৱাৰী, এনামুল হুচেইন আদিয়েও কাৰ্যবাহী সঞ্চালকগৰাকীৰ লগত আহি অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অখিল বৰুৱাইও বক্তব্য প্ৰদান কৰে। নিজৰ ভাষণত তেওঁ কয় যে শোধনাগাৰ কৰ্তৃপক্ষৰ এনে সহায়-সহযোগে মানৱ সম্পদৰ অংশস্বৰূপ এই শিশুগৃহটোৰ শিশুসকলক বাৰুকৈয়ে উপকৃত কৰিব আৰু ই প্ৰেৰণাৰ উৎস হৈ ৰ'ব । শিশুগৃহটোৰ অধ্যয়নৰত শিশুসকলৰ যাতায়ত আৰু অন্যান্য কাম-কাজৰ বাবে প্ৰতিদিনে এখন চাৰিচকীয়া বাহনৰ বাৰুকৈ প্ৰয়োজন হোৱাত সম্ভৱ ক্ষেত্ৰত তেনে এখন বাহন শিশুগৃহটোক দিবলৈ ডিগবৈ তেল শোধনাগাৰটো কাৰ্যবাহী সঞ্চালকগৰাকীক সম্পাদক অখিল বৰুৱাই অনুৰোধ জনায়।

# চাবুৱাত ৪টাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ শুভাৰম্ভ বিধায়ক পোনাকণ বৰুৱাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১০ ডিচেম্বৰঃ** চাবুৱাৰ সমষ্টিত বিধায়ক পোনাকণ বৰুৱাই সোমবাৰে একেদিনাই ৪টাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। অসম চৰকাৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ অধীনত ২৫ লাখ টকাৰকৈ অনুদানৰ আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ গৃহপ্ৰৱেশত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত শুভ উদ্বোধন কৰে চাবুৱাৰ বিধায়কগৰাকীয়ে। পানীতোলা সংহত শিশু উন্নয়ন প্ৰকল্প অধীনত নৱনিৰ্মিত বেতমলা গাঁৱৰ আদৰ্শ অংগনাবাড়ী কেন্দ্ৰ, ১ নং হাটখোলা দেওধাই গাঁৱৰ অংগনবাড়ী কেন্দ্ৰ, কেছৰগড়া অংগনবাড়ী কেন্দ্ৰ আৰু ৪ নং নাহৰতলী(নাদুৱা এয়াৰফৰ্ছ ষ্টেচন সমীপত) অংগনবাড়ী কেন্দ্ৰটি শুভ উদ্বোধন কৰে বিধায়ক পোনাকণ বৰুৱাই। এছ ডি চি মিতালী লাহন, চি ডি পি অ' লক্ষিমী নেওগৰ উপস্থিতিত বিধায়কগৰাকীয়ে শুভ উদ্বোধন কৰে ৪ টাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ। শুভ উদ্বোধন অনুষ্ঠানত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ বিষয়ববীয়াসকলৰ লগতে ভগ্নী সংগঠনৰ সভাপতি/সম্পাদকসকল উপস্থিত থাকে।

# ছিপাঝাৰত উচ্ছেদৰ নামত প্ৰহসন! ধলপুৰৰ উচ্ছেদিত লোক পুনৰ উভতিল চৰলৈ

**ই-সংবাদ, মঙলদৈ, ১০ ডিচেম্বৰঃ** গৰুখুটি কৃষি প্ৰকল্প ৰূপায়ণৰ বাবে ধলপুৰৰ পৰা স্থানান্তৰ কৰা বেদখলকাৰী পুনৰ উভতিছে ছিপাঝাৰৰ চৰলৈ। উল্লেখ্য যে দৰং জিলা প্ৰশাসনে ধলপুৰৰ ১৯৮১ টা উচ্ছেদিত পৰিয়ালক দলগাঁওলৈ স্থানান্তৰ কৰিছিল যদিও ইয়াৰ ভালেসংখ্যক পৰিয়াল পুনৰ ছিপাঝাৰৰ চৰ অঞ্চললৈ ওভতি অহাৰ অভিযোগ উত্থাপিত হৈছে। ধলপুৰৰ পৰা স্থানান্তৰ কৰা বেদখলকাৰী পৰিয়ালসমূহক জিলা প্ৰশাসনে দলগাঁৱৰ বিভিন্ন চৰত দিছিল এবিঘাকৈ চৰকাৰী ভূমি। কেৱল ভূমি দিয়াই নহয় বেদখলকাৰী সন্দেহযুক্ত লোকসকলৰ যাতায়াতৰ বাবে চৰকাৰে পথ নিৰ্মাণৰ লগতে বিভিন্ন সা-সুবিধাও প্ৰদান কৰিছে। কিন্তু দলগাঁৱত এবিঘাকৈ চৰকাৰী ভূমি লৈ ইয়াৰ কিছুসংখ্যক উচ্ছেদিত পৰিয়ালৰ মুৰব্বীয়ে পুনৰ ছিপাঝাৰৰ চৰ অঞ্চললৈ আহি খেতি-বাতি কৰাৰ অভিযোগ উঠিছে। ছিপাঝাৰৰ চৰ অঞ্চলৰ কিৰাকাৰৰ একাংশ দালালৰ সৈতে ধনৰ লেনদেন কৰি ধলপুৰৰ উচ্ছেদিত লোক দলগাঁৱৰ পৰা পুনৰ ছিপাঝাৰৰ চৰলৈ উভতি অহাৰ অভিযোগ উত্থাপিত হোৱাৰ পিছত এই দালাল চক্ৰটোক আটক কৰাৰ বাবে প্ৰশাসনৰ তৎপৰতা চলিছিল যদিও ৰহস্যজনকভাৱে আটক কৰা নহ'ল এজনো দালালক। উল্লেখ্য যে চৰকাৰ-প্ৰশাসনে আমছুকে ধৰি কেইবাটাও সংখ্যালঘু সংগঠনৰ নেতৃত্বৰে আলোচনা কৰি ধলপুৰৰ উচ্ছেদিত ১৪১৮ টা পৰিয়ালৰ লগতে কৃষি প্ৰকল্পৰ ভূমি বেদখল কৰা আন ৬৩৩ টা পৰিয়ালসহ মুঠ ২০৫১ টা পৰিয়ালক দলগাঁৱত সংস্থাপিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি ইয়াৰ ১৯৮১ টা পৰিয়ালক দলগাঁৱত এবিঘাকৈ চৰকাৰী মাটি দি সংস্থাপিত কৰা হৈছে। বাকী ৭০ টা পৰিয়ালে বৰ্তমানেও এৰা নাই কৃষি প্ৰকল্পৰ ভূমি। ধলপুৰৰ উচ্ছেদিত লোকে দলগাঁৱত চৰকাৰ-প্ৰশাসনে দিয়া এবিঘাকৈ চৰকাৰী ভূমিত ঘৰ-দুৱাৰ নিৰ্মাণ কৰি পুনৰ উভতিছে ছিপাঝাৰৰ চৰলৈ। ছিপাঝাৰৰ চৰ অঞ্চলৰ ভেটিবজাৰ, কিৰাকাৰা, খলিলৰ চৰ, বাঘেচৰ আদিত খেতি-বাতিৰ চলেৰে পুনৰ খোপনি পুতিছে ধলপুৰৰ উচ্ছেদিত লোকে। ইপিনে, গৰুখুঁটি কৃষি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই আজি কৃষি প্ৰকল্পৰ খেতি- বাতিৰ লগতে প্ৰকল্পৰ সীমা পৰ্যবেক্ষণ কৰি প্ৰকল্পৰ প্ৰায় ৯০০ বিঘা এতিয়াও বেদখলত থকা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয় যে ধলপুৰৰ উচ্ছেদিত ১৯৮১ টা পৰিয়ালক দলগাঁৱত এবিঘাকৈ চৰকাৰী মাটি দি পুনৰ সংস্থাপিত কৰা হৈছে আৰু ৭০ টা পৰিয়ালক স্থানান্তৰ কৰিবলৈ বাকী আছে। এই পৰিয়ালসমূহকো স্থানান্তৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰকল্পৰ সীমাৰ বাহিৰত থকা লোকেও কৃষি প্ৰকল্পৰ বৃহৎ পৰিমাণৰ ভূমি বেদখল কৰি আছে। এই ভূমি বেদখলমুক্ত কৰিব লাগিব। জাতি-মাটি-ভেটিৰ কথা কোৱা শাসকীয় চৰকাৰখনে গৰুখুঁটি কৃষি প্ৰকল্পৰ নামত চৰকাৰে ধলপুৰৰ ৮৭০০ বিঘা চৰকাৰী ভূমি আবণ্টন দিছিল।

# ৰঙিয়াত ৰাইজৰ দলৰ বিশাল দলীয় কৰ্মশালা

**ই-সংবাদ, ৰঙিয়া, ১০ ডিচেম্বৰঃ** কংগ্ৰেছৰ লগত নীতি আদৰ্শৰ মিল নথকাৰ পিছতো বুজাবুজি কৰিছে ৰাইজৰ দলে। কংগ্ৰেছ দলৰে মিত্ৰতাৰ প্ৰধান কাৰণ বিজেপি দলক প্ৰতিহত কৰা।- ৰঙিয়াত এই মন্তব্য ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ। আজি ৰঙিয়াৰ হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত দলীয় কৰ্মশালাত অংশগ্ৰহণ কৰি ৰাইজৰ দলৰ প্ৰধান নেতাগৰাকীয়ে বৰ্তমানৰ ৰাজনীতিয়ে নতুন অসমত প্ৰতিজন ডেকা ল'ৰা প্ৰাণ দিয়াৰ কাৰণে বদ্ধ পৰিকৰ বুলি ভাষণ প্ৰসংগত দোহাৰে। দলটোৰ উত্তৰ কামৰূপ জিলা সমিতিৰ সভাপতি গৌতম দাসৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাত অংশগ্ৰহণ কৰি নেতাগৰাকীয়ে ভাষণ প্ৰসংগত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক চোকা সমালোচনা কৰে। ভাষণত কৃষি ক্ষেত্ৰৰ লগতে গ্ৰাম্য উদ্যোগী ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাটো ৰাইজৰ দলৰ প্ৰধান লক্ষ্য ৰূপে অভিহিত কৰে গগৈয়ে। অসমত এতিয়ালৈকে শিশু খাদ্য প্ৰস্তুতেৰে বিশ্বৰ বজাৰ দখল কৰাৰ সপোন দেখা এজন নেতাৰ জন্ম নহ'ল বুলিও আক্ষেপ প্ৰকাশ কৰি গগৈয়ে কয় যে অসমৰ মানুহক বৃত্তিমুখী কৰাটো ৰাইজৰ দলৰ চৰকাৰৰ প্ৰধান লক্ষ্য। ধান কটাৰ বতৰত ধান কটা মানুহতকৈ নচা মানুহৰ সংখ্যা বেছি বুলিও উল্লেখ কৰি অসমীয়া লোকসকল কাম-বন বাদ দি নাচ-গানতে ব্যস্ত বুলিও উল্লেখ কৰে। ৰাইজৰ দলৰ নতুন চৰকাৰ আহিলে সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ, কৃষিৰ উৎপাদন বৃদ্ধি, গাঁৱে গাঁৱে উদ্যোগ আৰু বজাৰ স্থাপন প্ৰধান লক্ষ্য হ'ব বুলি সদৰি কৰি অসমীয়া মানুহৰ হাতলৈ সকলো বজাৰ অনা হ'ব বুলিও দোহাৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। ভাৰতৰ গোৰাত সাগৰৰ পানীৰে জনমুৰি আয় বছৰি ৬ লাখ ১৫ হাজাৰ টকা। কিন্তু অসমত সকলো থাকিও ১ লাখ ২০ হাজাৰ টকাতে সীমাবদ্ধ বুলিও আক্ষেপ প্ৰকাশ কৰে গগৈয়ে। যি জাতিৰ উত্তৰ পুৰুষ দিন হাজিৰা আৰু বহিঃৰাজ্যৰ শ্ৰমিক- সেই জাতিৰ ভৱিষ্যত কিবা আছে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰে গগৈয়ে। দলটোৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি হৰেশ্বৰ বৰ্মন, সম্পাদক গোপাল কাকতীৰ লগতে জাতীয় যুৱ বাহিনীৰ উপ-সভাপতি জয়ন্ত কলিতা, জাতীয় নাৰী বাহিনীৰ সম্পাদিকা আচমিৰা বেগম প্ৰমুখ্যে নেতৃবৃন্দৰ উপস্থিতিত সভাৰ অন্তত অনুষ্ঠিত যোগদান সভাত প্ৰায় অৰ্ধশতাধিক লোকে দলটোত বিভিন্ন আঞ্চলিকৰ পৰা আনুষ্ঠানিকভাৱে যোগদান কৰে।

# পথ দুৰ্ঘটনা ৰোধৰ বাবে বৰপেটা আয়ুক্তৰ পৰামৰ্শ

**ই-সংবাদ, বৰপেটা, ১০ ডিচেম্বৰঃ** বৰপেটা জিলাৰ আয়ুক্ত ৰোহন কুমাৰ ঝাই আজি হাউলী টাউনৰ সমীপত সংঘটিত দুৰ্ঘটনাৰ বুজ লয় আৰু ভৱিষ্যতে যাতে এনে ঘটনা ৰোধ কৰিব পৰা যায় তাৰ বাবে পৰামৰ্শ আগবঢ়ায়। আয়ুক্তগৰাকীৰ সৈতে এডিচি জয়ন্ত বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক, জিলা পৰিবহণ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলে গাড়ীখন পথৰ পৰা ছিটিকি ডিভাইডাৰত অৱতৰণ কৰি গছ আৰু অন্যান্য উলম্ব বস্তুত খুন্দা মৰাৰ স্থান পৰিদৰ্শন কৰে। দুৰ্ঘটনা সংঘটিত হোৱা অঞ্চলত ব্লিংকাৰ আৰু ৰিফ্লেক্টৰ স্থাপন কৰিব লাগে আৰু ডিভাইডাৰত কাটি যোৱা ঠাইত ৰামবল ষ্ট্ৰিপ স্থাপন কৰিব লাগে বুলি আয়ুক্তগৰাকীয়ে পৰামৰ্শ দি কয় যে পাকত থকা চিনবোৰ সতেজ ৰঙেৰে সোনকালে হাইলাইট কৰিব লাগিব। চোকা ঘূৰণীয়া ঠাইত সুৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে বুলি আয়ুক্ত ঝাই জোৰ দিয়ে। বিশেষকৈ ডিভাইডাৰত গছকে ধৰি থিয় বস্তুবোৰত উজ্জ্বল ৰং ব্যৱহাৰ কৰিবলৈও তেওঁ বিষয়াসকলক আহ্বান জনায়। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিশেষজ্ঞসকলে আয়ুক্তক আশ্বাস দিয়ে যে তেওঁলোকে এদিনৰ ভিতৰত পৰামৰ্শ মতে কাম সম্পূৰ্ণ কৰিব। শীতকালত কুঁৱলীৰ প্ৰাদুৰ্ভাৱৰ বাবে অধিক সম্ভাৱনা থকা দুৰ্ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি আয়ুক্তই ঘাইপথত দ্ৰুতবেগী গাড়ী চলোৱাৰ পৰা সতৰ্ক কৰি দিছে, কিয়নো ইয়াৰ ফলত চালকসকলে নিজৰ বাহনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাব পাৰে।

# বাক্সাৰ বিভিন্ন প্ৰান্তত শ্বহীদ দিৱস পালন

**ই-সংবাদ, মুছলপুৰ, ১০ ডিচেম্বৰঃ** আজি শ্বহীদ দিৱস উপলক্ষে অসমৰ জাতীয় জীৱনৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলক ৰাজ্যজুৰি স্মৰণ কৰা হয়। বাক্সা জিলাৰ বিভিন্ন প্ৰান্ততো পালন কৰা হয় শ্বহীদ দিৱস। বাক্সাৰ মুছলপুৰৰ সমীপৱৰ্তী থমনাত সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদে বাক্সা জিলা সমিতিৰ উদ্যোগত কেন্দ্ৰীয় শ্বহীদ দিৱস পালন কৰে। এই উপলক্ষে পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ ইত্যাদি কাৰ্যসূচীৰ অন্তত দিনৰ ভাগত স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ সভাপতি ৰাজেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত শিক্ষক ব্ৰজমোহন কলিতা, থমনাৰ বিষ্ণু-জ্যোতি শাখা সাহিত্য সভাৰ সভাপতি ৰমেশ চন্দ্ৰ দাস, থমনা বালিকা হাইস্কুলৰ প্ৰধান শিক্ষক কন্দৰ্প কুমাৰ শৰ্মা আদিয়ে '৬ বছৰীয়া অসম আন্দোলন আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা' সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। উল্লেখ্য যে সদৌ বাক্সা জিলা জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ সভাপতি অক্ষয় কলিতা আৰু সাধাৰণ সম্পাদক মুকুল নাথৰ পৌৰোহিত্যত অনুষ্ঠিত




শ্বহীদ দিৱসৰ কাৰ্যসূচীত অংশ লৈ সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক চন্দ্ৰকান্ত তালুকদাৰে সাংবাদিকৰ আগত কেবাটাও মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে, অসম বিদেশীমুক্ত কৰাৰ যি স্বপ্ন আছিল সেয়া বাস্তৱ ৰূপ পাব লাগে। যি দলৰে চৰকাৰ গঠন নহওক কিয় শ্বহীদ পৰিয়ালসমূহলৈ সু-দৃষ্টি ৰাখিব লাগে। অসম আজিও বিদেশীৰ চৰণীয়া পথাৰ বুলিও মন্তব্য কৰে নেতাগৰাকীয়ে। আজিৰ সভাত জাতীয় শ্বহীদ পৰিয়ালৰ একাংশ সদস্য উপস্থিত থাকে। ইফালে, বাক্সাৰ বৰবৰীত বৰবৰী শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বৰবৰীবাসী ৰাইজৰ আতিথ্যত বাস্কা আঞ্চলিক ছাত্ৰ সন্থাই শ্বহীদ দিৱসৰ কাৰ্যসূচী ৰূপায়িত কৰে। শ্বহীদ দিৱসৰ সৈতে সংগতি ৰাখি মাৰাথান দৌৰ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাও অনুষ্ঠিত কৰে। কাৰ্যসূচী অনুসৰি পুৱা মুখ্যদ্বাৰ উদঘাটনৰ পিছতে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে বাস্কা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ তালুকদাৰে, শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক মনোজ হালৈয়ে, মাল্যাৰ্পণ কৰে উপ-সভাপতি ধীৰাজ পাঠকে। সন্ধিয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সদৌ বাক্সা জিলা ছাত্ৰসন্থাৰ নেতৃত্ব, অসম উন্নতি সভা আৰু অসম সেনাৰ নেতৃত্ব, প্ৰাক্তন ছাত্ৰ নেতা, স্থানীয় অনুষ্ঠানৰ মুৰব্বীসকল উপস্থিত থাকে। উল্লেখ্য যে বাস্কা অঞ্চলৰ বহুকেইটা শ্বহীদ পৰিয়ালৰ সদস্যৰ উপস্থিতিৰে আজি অনুষ্ঠিত শ্বহীদ দিৱসৰ অনুষ্ঠানত সন্ধিয়া ৰাজশ্ৰী চহৰীয়াৰ নাগাৰা নাম দলে নাগাৰা নাম প্ৰদৰ্শন কৰে। আনহাতে, বাক্সাৰ জালাহস্থিত ডাঃ অনন্ত একাডেমীতো অসম আন্দোলনৰ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি একাডেমীখনৰ শিক্ষকবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্বহীদ দিৱস পালন কৰে। একাডেমীখনৰ অধ্যক্ষ ড০ ভৱেশ শৰ্মাই অসম আন্দোলনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক সম্যক ধাৰণা দিয়াৰ উদ্দেশ্যে ভাষণ প্ৰদান কৰে।

# নৱজ্যোতি ক্লাবৰ ৪ৰ্থ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, শিমলীতোলা, ১০ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ টু ষ্টাৰ নৱজ্যোতি ক্লাবৰ ৪ৰ্থ বাৰ্ষিক অধিৱেশন আজিৰে পৰা ১১ আৰু ১২ ডিচেম্বৰলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হয়। পুৱা ৮ বজাত পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰি প্ৰত্যেক দিনতে বিভিন্ন কাৰ্যসূচী- সমাজ সেৱা, গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান ইত্যাদিৰ আয়োজন কৰিছে। ১২ ডিচেম্বৰত আবেলি ৪.০০ বজাত টু ষ্টাৰ নৱজ্যোতি ক্লাবৰ সভাপতি জিয়াৰুল খানৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব লগা মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব পশ্চিম গোৱালপাৰা বিধানসভা সমষ্টিৰ বিধায়ক আব্দুৰ ৰশিদ মণ্ডল। গেৰুৱা কামাৰপোতা এম, ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল গণি আহমেদৰ উদ্বোধনী ভাষণেৰে আৰম্ভ হোৱা সভাত ভালেসংখ্যক সন্মানীয়, বিশিষ্ট অতিথি তথা নিৰ্দিষ্ট বক্তা উপস্থিত থাকি সামাজিক আৰু শৈক্ষিক দিশত গাম্ভীৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰিব। মুকলি সভাৰ শেষত নিশা আমন্ত্ৰিত শিল্পী গোষ্ঠীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে।

# ৰাজ্যিক জমিয়ত আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, খাৰুপেটীয়া, ১০ ডিচেম্বৰঃ** দৰং জিলাৰ খাৰুপেটীয়াৰ নিকটৱৰ্তী যোগীপাৰাত অহা ১১ আৰু ১২ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া অসম জমিয়তে আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশন আৰু যোগীপাৰা মডাৰ্ন ইছলামিক একাডেমীৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনৰ কালি লাইখুঁটা স্থাপন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি জালাল উদ্দিন আহমেদ, সাধাৰণ সম্পাদক মফিদুল ইছলাম, অসম জমিয়তে আহলে হাদিছৰ সাধাৰণ সম্পাদক মৌলানা ডঃ নবাব আলী, অসম আহলে হাদিছ মাদ্ৰাছা ব'ৰ্ডৰ অধ্যক্ষ ডঃ মোখলিছুৰ ৰহমান, মঙলদৈ উকিল সন্থাৰ সাধাৰণ সম্পাদক ফজলুল হক, মুখ্য প্ৰচাৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক ইমদাদুল ইছলাম আৰু স্থানীয় ৰাইজৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰা হয়। অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াসকলে জনোৱা মতে অধিৱেশনখনত সমাজত প্ৰচলিত বাল্যবিবাহ, ড্ৰাগছ, মদ, ভাং আদি অসামাজিক কাৰ্যকলাপ বন্ধ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। অধিৱেশনত দিল্লী, বিহাৰ, পশ্চিম বংগ আদিৰ পৰা অতিথিসকল উপস্থিত হ'ব।




দ্বিতীয় এদিনীয়াত বাংলাদেশৰ বিৰুদ্ধে ৭ উইকেটত জয়ী ৱেষ্ট ইণ্ডিজ, মঙলবাৰে

## ভংগ হল ফুটবল জগতৰ ১৭ বছৰীয়া ধাৰাবাহিকতা

# ফিফপ্ৰ'ৰ বৰ্ষশ্ৰেষ্ঠ একাদশত নাম নাই মেছিৰ

**পেৰিছ, ১০ ডিচেম্বৰঃ** ঘোষণা কৰা হৈছে ফিফপ্ৰ'ৰ বৰ্ষশ্ৰেষ্ঠ একাদশ। প্ৰাৰম্ভিক তালিকাত লিঅ'নেল মেছি আছিল যদিও ১৭ বছৰীয়া ধাৰাবাহিকতা ভংগ কৰি এই একাদশৰ চূড়ান্ত তালিকাত তেওঁ স্থান নাপালে। উল্লেখ্য যে, ২০০৬ চনৰ পৰা ২০২৩ চনলৈকে একেৰাহে ১৭ বছৰ এই তালিকাত ৰাজত্ব কৰিছিল মেছিয়ে। এইবাৰ ফিফপ্ৰ'ৰ একাদশৰ বাবে মনোনীত হৈছিল মেছি আৰু ৰোনাল্ডো। ইউৰোপৰ বাহিৰত খেলা খেলুৱৈসকলৰ ভিতৰত তালিকাখনত তেওঁলোক দুগৰাকীয়েই আছিল যদিও চূড়ান্ত তালিকাত স্থান লাভত ব্যৰ্থ হয়। এই তালিকাত সৰ্বাধিক অন্তৰ্ভুক্ত হৈছে ৰিয়েল মাদ্ৰিদ আৰু মানচেষ্টাৰ চিটিৰ খেলুৱৈ। তালিকাত আছে ৰিয়েলৰ ৬ জন আৰু চিটিৰ ৪ জন খেলুৱৈ। ৰিয়েল আৰু চিটিৰ বাহিৰত স্থান লাভ কৰা একমাত্ৰ খেলুৱৈ লিভাৰপুলৰ ভান ডাইক। ৰিয়েলৰ ৬ জন খেলুৱৈৰ ভিতৰত আছে টনি ক্ৰুছ, ডানি কাৰ্ভাজাল, ৰুডিগাৰ, বেলিংহাম, কাইলিয়ান এমবাপে, ভিনিচিয়াছ জুনিয়ৰ। ইয়াৰ ভিতৰত পি এছ জি আৰু ৰিয়েল মাদ্ৰিদত প্ৰদৰ্শনৰ বাবে সুযোগ পোৱা একমাত্ৰ খেলুৱৈ হৈছে এমবাপেই। চিটিৰ ৪ গৰাকীৰ ভিতৰত আছে এডাৰচন, ডি ব্ৰুইন, আৰ্লিং হালেণ্ড আৰু ৰড্ৰি। ইয়াৰ ভিতৰত ৰড্ৰিয়ে বেলন ডি অৰ বঁটা লাভ কৰে। ৭০খন দেশৰ ২৮ হাজাৰতকৈ অধিক ফুটবলাৰে ফিফাপ্ৰ'ৰ এই তালিকাত ভোট দিছে। ২০২৩-২০২৪ৰ ভিতৰত ক্লাবৰ হৈ কমেও ৩০খন খেল খেলা খেলুৱৈয়ে এই তালিকাত স্থান পায়।

# নাজিৰা বিধানসভা সমষ্টি ভিত্তিত খেল মহাৰণ ২.০ৰ শুভাৰম্ভণি

**ই-সংবাদ, গেলেকী, ১০ ডিচেম্বৰঃ** ৰাজ্যৰ ক্ৰীড়া ইতিহাসৰ সৰ্ববৃহৎ প্ৰতিযোগিতা খেল মহাৰণ ২.০ৰ নাজিৰা বিধানসভা সমষ্টিভিত্তিক প্ৰতিযোগিতাসমূহ আজি নাজিৰা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে, খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ নাজিৰা বিধানসভা সমষ্টিৰ সভাপতি ইন্দ্ৰজিৎ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰি অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলক শুভেচ্ছা আৰু আন্তৰিক অভিনন্দন জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উদীয়মান ক্ৰীড়া প্ৰতিভাসমূহক চিনাক্ত কৰি তেওঁলোকৰ প্ৰতিভাৰ বিকাশ সাধনেই খেল মহাৰণ আয়োজনৰ মূল উদ্দেশ্য বুলি তেওঁ উল্লেখ কৰে। শুভাৰম্ভণি অনুষ্ঠানত বক্তব্য প্ৰদান কৰি নাজিৰা সমজিলাৰ সমজিলা আয়ুক্ত কণিকাই খেলুৱৈসকলক নিজৰ সৰ্বোৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, প্ৰতিযোগিতাত জয়ী হোৱাৰ লক্ষ্য আগত ৰাখি অংশগ্ৰহণ কৰাটো স্বাভাৱিক যদিও, কিবা কাৰণত পৰাজয়ৰ সন্মুখীন হ'লে, তাৰ পৰা আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতাৰে পুষ্ট হৈ একাগ্ৰতাসহ ভৱিষ্যতে প্ৰচেষ্টা অব্যাহত ৰখাটোৱেই শ্ৰেয়। অনুষ্ঠানটিত উপস্থিত থাকি নাজিৰা সমজিলা আৰক্ষী বিষয়া তুষাৰ দেশাইয়ে নিজৰ ভাষণত খেলুৱৈসকলৰ প্ৰতিভাক চিনাক্ত কৰি বিকশিত কৰাৰ বাবে খেল মহাৰণে এক সোণালী সুযোগ প্ৰদান কৰিছে বুলি মত প্ৰকাশ কৰে। এনে সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে তেওঁ ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। পঢ়া-শুনাৰ সৈতে খেলা-ধূলাৰ প্ৰয়োজনীয়তা সদায়ে থাকিব বুলি তেওঁ উল্লেখ কৰি অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলক নিজ প্ৰতিভাৰ বলত সমজিলা তথা ৰাজ্যৰ নাম উজলাবলৈ উৎসাহিত কৰে। তদুপৰি, খেল মহাৰণৰ অন্তৰ্গত বিভিন্ন ক্ৰীড়া শিতানত অংশগ্ৰহণ কৰা খেলুৱৈসকলক আজিৰ অনুষ্ঠানত শপত বাক্য পাঠ কৰোৱাই জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়ে। আনহাতে, কেন্দ্ৰীয় বিদ্যালয় অ'এনজিচিৰ ছাত্ৰ-ছাত্ৰীসকলে বিহু নৃত্যৰ লগতে কেইবাটাও লোক নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আজিৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে আসন গ্ৰহণ কৰা ৰমেন দত্ত, আব্দুৰ ৰহমান, মামু পাটৰ আৰু অসমী গগৈ বৰুৱাই নিজৰ বক্তব্যত অসম চৰকাৰে খেলুৱৈসকলৰ প্ৰতিভা বিকাশৰ এক উৎকৃষ্ট মঞ্চ প্ৰদান কৰিছে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত নাজিৰা তথা আমগুৰিৰ কেইবাগৰাকী প্ৰাক্তন খেলুৱৈ আৰু বিশিষ্ট ব্যক্তি সকলক সম্বৰ্ধনা জনোৱা হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি